www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

লোকৰ বাবে জ্বলোৱা চাকিটিয়ে নিজৰ পথো উজ্জ্বলাই।
— গৌতম বুদ্ধ

□ ষষ্ঠ বছৰ □ সংখ্যা - ২৫০ □ শনিবাৰ □ ৬ ডিচেম্বৰ, ২০২৫ চন □ ১৯ আঘোণ, ১৯৪৭ শক □ VOL - 6 □ NO.- 250 □ Saturday □ 6th December, 2025 □ মূল্য ঃ ১০.০০ টকা □ মুঠ পৃষ্ঠা ঃ ৮

### বছৰ-বছৰ ধৰি অব্যৱহৃত হৈ আছে নগাঁৱত চৰকাৰী আৱাস গৃহ ঃ অচল হৈ পৰি আছে স্বাস্থ্য বিভাগৰ বহুমূলীয়া গাড়ী-এম্বুলেন্স

## নগাঁৱৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ চৰকাৰী আৱাসগৃহৰ শোচনীয় অৱস্থা



**অসম বাৰ্তা, নগাঁও, ৫ ডিচেম্বৰ ঃ** ৰাজ্যখনৰ স্বাস্থ্য বিভাগে স্বাস্থ্য খণ্ডৰ উত্তৰণৰ বাবে যথেষ্টখিনি কাম কৰিছে । তাৰ পিছতো কিছু চিকিৎসালয়, চিকিৎসকৰ আবাস গৃহ আদি জৰাজীৰ্ন অৱস্থাতে আছে। একেদৰে নগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ চৰকাৰী আবাস গৃহটো এতিয়া শোচনীয় হৈ পৰি আছে যোগ-যোগ বছৰ ধৰি। নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলঙৰ পাৰৰ ▸▸৬ পৃষ্ঠাত



## জইছে গঠন কৰিলে মহিলা জেহাদী ব্ৰিগেড 'জামাত-উল-মোমিনা'

### মাত্ৰ ৮ সপ্তাহতে ৫ হাজাৰৰো অধিক যুৱতী সদস্যভুক্ত, মাছুদ আজহাৰৰ ভনীয়েকৰ হাতত নেতৃত্ব




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ ডিচেম্বৰ ঃ** অপাৰেচন সিন্দূৰত মোক্ষম আঘাত পোৱাৰ পিছতো ভাৰতৰ বিৰুদ্ধে পুনৰ কঁকাল পোনাইছে পাকিস্তানৰ মদতপুষ্ট কুখ্যাত সন্ত্ৰাসবাদী সংগঠন জইছ-ই-মহম্মদ। শেহতীয়া দিল্লীৰ লালকিল্লাৰ সমীপৰ ভয়ংকৰ আত্মঘাতী বোমা বিস্ফোৰণৰ লগত নাম জড়িত হোৱাৰ পাছতো সংগঠনটোৱে এতিয়া নতুন কৌশল অৱলম্বন কৰিছে। প্ৰথমবাৰৰ বাবে অনলাইন জেহাদৰ জৰিয়তে মহিলাসকলক সন্ত্ৰাসবাদৰ মূল ▸▸৬ পৃষ্ঠাত

### ভূৰাগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা ঃ থিতাতে নিহত ১

**অসম বাৰ্তা, ভূৰাগাঁও, ৫ ডিচেম্বৰ ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত যোৱা নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন থিতাতে নিহত ▸▸৬ পৃষ্ঠাত

### নীতিন গাডকাৰীৰ নতুন ডিজিটেল ব্যৱস্থাৰে যান-জঁট আৰু সময়ৰ অপচয়ৰ অন্ত পৰিব



### এবছৰৰ ভিতৰত দেশৰ সকলো টোল প্লাজাত বাধা উঠাই দিয়াৰ ঘোষণা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ ডিচেম্বৰ ঃ** দেশৰ ৰাষ্ট্ৰীয় ঘাইপথত টোল প্লাজাৰ সন্মুখত ঘণ্টাৰ পিছত ঘণ্টা ৰৈ থকাৰ দিন শেষ হ'বলৈ ওলাইছে। কেন্দ্ৰীয় পথ পৰিবহণ ▸▸৬ পৃষ্ঠাত

### দুদিনীয়া ভ্ৰমণ সূচীৰে ভাৰতত ভ্লাডিমিৰ পুটিন ঃ ভাৰত-ৰাছিয়া বাৰ্ষিক সন্মিলনত অংশগ্ৰহণ

# ৰাজধানীত ভাৰত-ৰাছিয়াৰ ভৱিষ্যতৰ মানচিত্ৰ প্ৰস্তুত

### ভাৰত-ৰাছিয়াৰ ৭ খনকৈ বুজাবুজি চুক্তিত স্বাক্ষৰ; বছৰি ১০০ মিলিয়ন ডলাৰৰ ব্যৱসায়ৰ চুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ ডিচেম্বৰ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনৰ ভাৰত ভ্ৰমণৰ দ্বিতীয় দিনা শুকুৰবাৰে পুৱা তেওঁক ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুটীয়াভাৱে পুটিনক স্বাগতম জনায়। অনুষ্ঠানত ত্ৰিসেনাৰ গাৰ্ড অৱ অনাৰ প্ৰদান কৰা হয় আৰু ভাৰত তথা ৰাছিয়াৰ ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা হয়। এই আনুষ্ঠানিক কাৰ্যসূচীত



বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালসহ আন চাৰিগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, দিল্লীৰ লেফটেনেণ্ট গৱৰ্ণৰ ভি কে ছাক্সেনা, চি ডি এছ জেনেৰেল অনিল চৌহানকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৰাষ্ট্ৰপতি মুৰ্মু আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে ইজনে সিজনৰ দেশৰ প্ৰতিনিধি দলৰ সৈতে পৰিচয় কৰাই দিয়ে। ৰাছিয়াৰ প্ৰতিনিধি দলত প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰে বেলৌছভ আৰু ক্ৰেমলিনৰ মুখপাত্ৰ তথা সহায়ক ডিমিট্ৰি পেসকোভ আদি বিশিষ্ট ব্যক্তি সন্নিবিষ্ট আছিল। ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিক আদৰণিৰ অন্তত ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে ৰাজঘাটত জাতিৰ পিতা মহাত্মা গান্ধীৰ স্মৃতিসৌধত শ্ৰদ্ধাঞ্জলি জনায়। তেওঁ স্মৃতিসৌধত পুষ্পাঞ্জলি অৰ্পণ কৰে আৰু দৰ্শনাৰ্থী গ্ৰন্থত স্বাক্ষৰ কৰে। এই ▸▸৬ পৃষ্ঠাত

### ইণ্ডিগোৰ সংকট! দেশজুৰি শ শ বিমান বাতিল

#### যাত্ৰীৰ মাজত চৰম অসন্তোষ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৫ ডিচেম্বৰ ঃ** ভাৰতীয় বিমান পৰিবহণৰ ইতিহাসত এনে বিপৰ্যয় আগতে কেতিয়াও দেখা পোৱা নাছিল। দেশৰ আগশাৰীৰ কম খৰচী বিমান সংস্থা ইণ্ডিগো এতিয়া চৰম অপাৰেচনেল সংকটৰ মাজত সোমাই পৰিছে। যোৱা চাৰিদিন ▸▸৬ পৃষ্ঠাত

### অৰুণাচলত গ্ৰেপ্তাৰ এন এছ চি এনৰ কেডাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৫ ডিচেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ শুকানজুৰি অঞ্চলত অসম ৰাইফলছ আৰু অৰুণাচল আৰক্ষীৰ এক যুটীয়া অভিযানত আজি এন এছ চি এন (কে-নিকি চুমি)ৰ এজন সক্ৰিয় কেডাৰ আটক হোৱাৰ লগতে অস্ত্ৰ-শস্ত্ৰ আৰু নথি-পত্ৰও উদ্ধাৰ কৰিবলৈও সক্ষম হয়। ইচিআই ▸▸৬ পৃষ্ঠাত

### ধুবুৰীত উপস্থিত বিধানসভাৰ ছজনীয়া স্থায়ী সমিতি

### চৰকাৰী বিভাগৰ কাম-কাজ আৰু উন্নয়নমূলক প্ৰকল্পৰ পৰিদৰ্শন

**নিউজ ডেস্ক, অসম বাৰ্তা, ৫ ডিচেম্বৰ ঃ** অসম বিধানসভাৰ বিভাগ সম্পৰ্কীয় ছজনীয়া স্থায়ী সমিতিৰ দলটো শুক্ৰবাৰে ধুবুৰী জিলালৈ আহি পৰে। ওদালগুৰিৰ বিধায়ক গোবিন্দ বসুমতাৰীৰ নেতৃত্বত অহা এই দলটোত কাটলিছেৰাৰ বিধায়ক সুজাম উদ্দিন লস্কৰ, বিধায়ক অজয় ৰায়, বিধায়ক দিগন্ত বৰ্মন, বিধায়ক নিজানুৰ ৰহমানকে ধৰি মুঠ ছজন বিধায়ক অন্তৰ্ভুক্ত আছে। দিনৰ প্ৰায় ১১-৩০ বজাত ধুবুৰী আৰ্তৰ ভৱনত উপস্থিত ▸▸৬ পৃষ্ঠাত

## ৰূপহীহাটৰ ভকতগাঁৱৰ ৩৮ বিঘা ভূমিত উচ্ছেদ অভিযান

### উচটনিমুলক মন্তব্য দি আটক সংখ্যালঘু সংগ্ৰাম পৰিষদৰ নেতা

**অসম বাৰ্তা, ৰূপহীহাট, ৫ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ ভকতগাঁৱত আজি পুৱাৰে পৰা চলিল সৰ্ববৃহৎ উচ্ছেদ অভিযান। চামগুৰি ৰাজহ চক্ৰৰ অন্তৰ্গত খাটোৱাল ▸▸৬ পৃষ্ঠাত



### ■ সংসদত ডেৰ মিনিট কথা কৈ বা টুইট কৰি ভাৰত ৰত্ন পোৱা নাযায়! ■

## গৌৰৱ গগৈক তীব্ৰ সমালোচনা মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৫ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৰহাটৰ সাংসদ তথা কংগ্ৰেছৰ উপ-সভাপতি গৌৰৱ গগৈক কঠোৰ ভাষাৰে আক্ৰমণ কৰিছে। বৃন্দাৱনী বস্ত্ৰৰ প্ৰত্যাৱৰ্তন আৰু জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তক লৈ গৌৰৱ গগৈৰ মন্তব্যৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে তেওঁক "পাকিস্তানী এজেণ্ট" বুলিও অভিহিত কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, "গৌৰৱ গগৈয়ে মোৰ কথাত গুৰুত্ব নিদিয়াটোৱে বৰ ভাল। কাৰণ তেওঁ বৃন্দাৱনী বস্ত্ৰ অসমলৈ ঘূৰাই অনাটো একেবাৰেই বিচৰা নাই। তেওঁ শ্ৰীমন্ত ▸▸৬ পৃষ্ঠাত



## পুটিনলৈ 'গীতা' উপহাৰ প্ৰধানমন্ত্ৰীৰ




**অনলাইন ডেস্ক, অসম বাৰ্তা, ৫ ডিচেম্বৰ ঃ** ভাৰত-ৰাছিয়াৰ কূটনৈতিক সম্পৰ্কৰ আন এক ঐতিহাসিক মুহূৰ্তৰ সাক্ষী হৈ ৰ'ল ৰাজধানী। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনক ৰাছিয়ান ভাষাত অনূদিত গীতা উপহাৰ দি দুই দেশৰ বন্ধুত্বৰ বাৰ্তা আৰু অধিক সুদৃঢ় ▸▸৬ পৃষ্ঠাত

### উমৰাংছ'ত মুকলি হ'ল অসমৰ অন্যতম আটকধুনীয়া ক্ৰিকেট ষ্টেডিয়াম

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৫ ডিচেম্বৰ ঃ** পাহাৰেৰে আৱৰা নৈসৰ্গিক সৌন্দৰ্য্যৰ মাজত সেউজীয়া ঘাঁহনিৰে আৱৰা এখন আন্তৰ্জাতিক মানৰ ক্ৰিকেট ষ্টেডিয়ামেৰে গৌৰৱান্বিত হ'ল ডিমা হাছাও জিলা। শুকুৰবাৰে পুৱা গুৱাহাটীৰ পৰা হেলিকপ্টাৰেৰে উমৰাংছ'ত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অত্যাধুনিক ক্ৰিকেট ষ্টেডিয়ামৰ শুভ উদ্বোধন কৰে। প্ৰকৃতিৰ অপৰূপ ৰম্যভূমি উমৰাংছ'ৰ বিখ্যাত গল্‌ফ ক'ৰ্চৰ ওচৰতে প্ৰায় ৩০ বিঘা মাটিত নিৰ্মিত এই ষ্টেডিয়ামখনে অষ্ট্ৰেলিয়া, ▸▸৬ পৃষ্ঠাত






### তেজপুৰ বিশ্ববিদ্যালয়ৰ ৭৬ দিনীয়া ছাত্ৰ আন্দোলনৰ সফল সমাপ্তি

## ড° ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যক তেজপুৰ বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্যৰ দায়িত্ব

**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ৫ ডিচেম্বৰ ঃ** প্ৰায় ৭৬ দিন ধৰি চলি থকা তীব্ৰ ছাত্ৰ-শিক্ষক-কৰ্মচাৰীৰ যুটীয়া আন্দোলনৰ অন্তত তেজপুৰ বিশ্ববিদ্যালয়ত বৃহস্পতিবাৰে নিশা ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। দুৰ্নীতি, অনিয়ম আৰু স্বজন-পোষকতাৰ গুৰুতৰ অভিযোগত অভিযুক্ত উপাচাৰ্য প্ৰফেছৰ শম্ভূনাথ সিঙৰ স্থানত জ্যেষ্ঠ অধ্যাপক তথা পূৰ্বৰ উপাচাৰ্য




প্ৰফেছৰ ড০ ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যক ভাৰপ্ৰাপ্ত উপাচাৰ্য হিচাপে নিযুক্তি দিয়া হৈছে। বিশ্ববিদ্যালয়ৰ এক্সিকিউটিভ কাউন্সিলৰ জৰুৰীকালীন বৈঠকত সৰ্বসন্মতিক্ৰমে গৃহীত এই সিদ্ধান্তৰ পিছতেই শুকুৰবাৰে পুৱাই ড০ ভট্টাচাৰ্যই নতুন দায়িত্ব গ্ৰহণ কৰিছে। ছাত্ৰ সংগঠনসমূহে এই নিযুক্তিক "জনতাৰ জয়" বুলি অভিহিত কৰি ▸▸৬ পৃষ্ঠাত

## বিধায়ক সুৰেন ফুকনৰ বিৰুদ্ধে ধন দাবীৰ অভিযোগ 'অসম মালা' পথৰ ঠিকাদাৰী প্ৰতিষ্ঠানৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ৫ ডিচেম্বৰ ঃ** "ডিগবৈৰ বিধায়ক সুৰেন ফুকনে আমাৰ চলি থকা প্ৰকল্পত বাৰম্বাৰ হস্তক্ষেপ কৰি থকাটো এক অতি গুৰুত্বপূৰ্ণ বিষয়। বাৰম্বাৰ যোগাযোগৰ পিছতো একে ধৰণৰ কাণ্ডৰ পুনৰাবৃত্তিৰ পৰিস্থিতিয়ে কামৰ অগ্ৰগতি আৰু আমাৰ কৰ্মীসকলৰ সুৰক্ষাত গুৰুতৰভাৱে প্ৰভাৱিত কৰিছে।" এই মন্তব্য গুৱাহাটীস্থ পি বি পি এল-এল জি (জে ভি) নামৰ ঠিকাদাৰী ▸▸৬ পৃষ্ঠাত

### মুখ্যমন্ত্ৰীক ভকতচাপৰিৰ খহনীয়া পৰিদৰ্শন কৰাৰ আহ্বান

## ১৫ ডিচেম্বৰৰ পৰা খহনীয়া ৰোধত নামিব সত্ৰাধিকাৰ পীতাম্বৰ দেৱ গোস্বামী

**সনজিৎ কুমাৰ অভয়পুৰীয়া, উজনী মাজুলী, ৫ ডিচেম্বৰ ঃ** মাজুলীৰ অন্যতম প্ৰধান কৃষি প্ৰধান অঞ্চল ভকত চাপৰিয়ে মাহ, সৰিয়হ, কুঁহিয়াৰ আদি খেতিৰে অসমৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈ আহিছে। সেয়ে ভকতচাপৰি যদি লুপ্ত হয় মাজুলীৰ ইতিহাসেই লুপ্ত হৈ যাব। ভকতচাপৰিৰ লোকসকল মাজুলীৰ বৃহত্তৰ আহতগুৰি মৌজাৰ আৰু বৰ্তমান আউনীআটী অঞ্চলত নিবাস কৰিছে। তেতিয়াৰ আহতগুৰি মৌজাৰ নিজৰ ঐতিহ্যক ▸▸৬ পৃষ্ঠাত



অৱসৰপ্ৰাপ্ত বিষয়া কৰ্মচাৰীৰ কণ্ঠৰে নিগৰি উঠা
ভূপেন্দ্ৰ সংগীতে জীপাল কৰিলে পুথিভঁৰাল প্ৰেক্ষাগৃহ

# নগাঁও জিলা পুথিভঁৰালত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ উদ্যোগত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা



**অসম বাৰ্তা, নগাঁও, ৩ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ অন্তৰ্গত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ উদ্যোগত আৰু অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সহযোগত নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি পুৱা দহ বজাৰ পৰা আৰম্ভ হয় সুধাকণ্ঠ ড° ভূপেন হাজৰিকা জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি ৰাজ্যখনৰ জ্যেষ্ঠ নাগৰিক সকলৰ মাজত সৌহাৰ্দ্যপূৰ্ণ ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু একাংক নাট প্ৰতিযোগিতা। নগাঁও জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ব্যৱস্থাপনাত দিনযোৰাকৈ আয়োজিত প্ৰতিযোগিতাখনিত ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে নগাঁও জিলা জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি তথা নগাঁও জিলা সাহিত্য সভাৰ সভাপতি ডঃশৰৎ বৰকটকীয়ে। ইয়াৰ লগতে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলী অৰ্পন কৰি আজিৰ সাংস্কৃতিক মঞ্চ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই। জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ অধ্যক্ষ ড° প্ৰদীপ ঠাকুৰীয়াৰ নেতৃত্বত তথা অসম চৰকাৰৰ জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদে আয়োজন কৰা সাংস্কৃতিক সমাৰোহৰ মুখ্য আহ্বায়ক ইন্দ্ৰ প্ৰসাদ বৰা উপস্থিত থাকে। অনুষ্ঠানত নগাঁও জিলাৰ জ্যেষ্ঠ নাগৰিক মঞ্চৰ অৰ্ধশতাধিক পুৰুষ মহিলাই ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰি পুৱাৰে পৰা সন্ধিয়া পৰ্যন্ত জীপাল কৰি তুলে নগাঁও পুথিভঁৰাল প্ৰেক্ষাগৃহ। জ্যেষ্ঠ নাগৰিক সন্মিলনৰ নগাঁও জিলাৰ সাধাৰণ সম্পাদক প্ৰফুল্ল চন্দ্ৰ হাজৰিকাই আতঁধৰা শুভাৰম্ভনি অনুষ্ঠানটিত আষী বছৰীয়া মহিলা জয়াদেৱী তালুকদাৰে ভূপেন হাজৰিকাৰ কালজয়ী গীত "আই তোক কিহেৰে পুজিমে" গীতটি পৰিৱেশন কৰে। সাংস্কৃতিক অনুষ্ঠান পৰিচালনা দ্বীপেন বৈৰাগী আৰু মোহিনী মোহন ডেকাই মঞ্চ পৰিচালনা কৰা অনুষ্ঠানত ভূপেন হাজৰিকাৰ বহুকেইটা জনপ্ৰিয় তথা কালজয়ী গীত পৰিৱেশন কৰে ক্ৰমে- অসম চৰকাৰৰ নগাঁও জিলাৰ অৱসৰপ্ৰাপ্ত বিষয়া প্ৰশান্ত কুমাৰ বেজবৰুৱা, শিল্পীদিগন্ত ভাগৱতী, প্ৰতিমা গগৈ, অলক খাউণ্ড, বোধমাই দেৱী, প্ৰভাত কলিতা, আহমেদ লটিফুৰ কৰিম, ৰঞ্জিত গায়ন, লুহিত কমল বৰা, বিপুল হাজৰিকা, অৰুণ চন্দ্ৰ বৰা, ৰূপা গায়ন, মাধৱ বৰা, বিৰিঞ্চি বৰা, গিৰিশ গায়ন, প্ৰফুল্ল চন্দ্ৰ বৰা, ভোগৰাম বড়ো, খগেন নাথ, চুৰেন্দ্ৰ কুমাৰ নাথ, মামনি বৰা ভট্টাচাৰ্যী, কুমকুম বৰুৱা, প্ৰিতী বৰাই ভূপেন্দ্ৰ সংগীত গীতৰ প্ৰতিযোগিতা অংশগ্ৰহণ কৰে। অনুষ্ঠানত তিনিটা শাখাত এই ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনিত বিচাৰকৰ আসন শুৱনি কৰে ক্ৰমে শিল্পী ৰঞ্জন বেজবৰুৱা, শিল্পী তৰুণ শইকীয়া, শিল্পী পম্পী বৰায়ে। প্ৰতিযোগিতাখনিত ঘোষিকাৰ ৰূপে অনুষ্ঠানটি সামগ্ৰীকভাৱে পৰিচালনা কৰে কৃতী শিক্ষয়িত্ৰী তথা লেখিকা গীতা মহন্ত শইকীয়াই। সন্মিলনৰ প্ৰতিযোগিতাখনিত "ক" শাখাত প্ৰথম স্থান লাভ কৰে আহমেদ লটিফুৰ কৰিম, দ্বিতীয় স্থান লাভ কৰে মাধৱ বৰা আৰু মামনি শৰ্মা ভট্টাচাৰ্য্য, তৃতীয় পুৰস্কাৰ লাভ কৰে অলক খাউণ্ড আৰু জয়াদেৱী তালুকদাৰে। সেইদৰে "খ"শাখাত প্ৰথম স্থান লাভ কৰে খগেন নাথ, দ্বিতীয় স্থান লাভ কৰে গিৰিশ গায়ন, অলক খাউণ্ডে, তৃতীয় পুৰস্কাৰ লাভ কৰে দিগন্ত ভাগৱতীয়ে। আনহাতে, প্ৰতিযোগিতাখনিত "গ" শাখাত প্ৰথম পুৰস্কাৰ লাভ কৰে আহমেদ লটিফুৰ কৰিম, দ্বিতীয় স্থান লাভ কৰে ৰঞ্জিত গায়ন, তৃতীয় স্থান লাভ কৰে যুটীয়া ভাৱে প্ৰফুল্ল চন্দ্ৰ বৰা আৰু মাধৱ বৰাই।

# তুলুঙীয়া-যোগীঘোপা সংযোগী চাৰিলেনযুক্ত পথৰ তুলুঙীয়া বজাৰৰ অংশছোৱাত এখন নতুন উৰণীয়া সেতু নিৰ্মাণৰ দাবীত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাড়ীক স্মাৰকপত্ৰ প্ৰদান



**অসম বাৰ্তা, অভয়াপুৰী, ৩ ডিচেম্বৰ ঃ** অভয়াপুৰী সমজিলাৰ তুলুঙীয়া-যোগীঘোপা সংযোগী ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ তুলুঙীয়া আৰু দেওহাটীত থকা দুখন উৰণীয়া সেতু সংযোগ স্থাপনৰে এখন নতুন উৰণীয়া সেতু নিৰ্মাণৰ দাবীত আজি বঙাইগাঁও জিলাৰ সঁজাতী দলে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাড়ীক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। প্ৰাক্তন বিধায়ক ভূপেন ৰায়ৰ নেতৃত্বত যোৱা সঁজাতী দ'লটোক সংগ দিয়ে বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী আৰু ৰাজ্য সভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই। দাখিলকৃত স্মাৰক পত্ৰখনত ১৭ নং চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ তুলুঙীয়া বজাৰত থকা উৰণসেতু আৰু দেওহাটীত থকা উৰণসেতুৰ মাজত থকা ৫০০/৬০০ মিটাৰ অংশছোৱাই বৰঘোলা-উত্তৰশালমাৰা গড়কাপ্তানি পথটোক দ্বিখণ্ডিত কৰাৰ বিষয়টো উনকিয়াই দি ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে বৰঘোলা-উত্তৰশালমাৰা পথটোৰে যাতায়ত কৰা লক্ষাধিক লোকক তুলুঙীয়াত থকা উৰণসেতুৰ তলেদি নতুবা দেওহাটীত থকা উৰণসেতু তলেদি যাতায়াত কৰিবলৈ বাধ্য কৰাইছে বুলি সদৰী কৰা হয়। তুলুঙীয়া বজাৰৰ সেই অংশখিনিত সংশ্লিষ্ট মহলে লোহাৰ ৰেলিং পৰ্যন্ত দি থৈছে। যাৰ বাবে পথচাৰী সকলে পথটোৰ ইপাৰ সিপাৰ হ'বৰ কাৰণে দুই কিঃমিঃ মান পথ অতিক্ৰম কৰিবলগীয়া হয়। যিটো দূৰত্বৰ দিশত বহু বেছি হয়। ইয়াৰ ফলত তুলুঙীয়া বজাৰৰ পশ্চিম দিশৰ ৰাইজে সৃজনগ্ৰামস্থিত সৃজনগ্ৰাম খণ্ড প্ৰাথমিক বিষয়াৰ কাৰ্যালয়, সৃজনগ্ৰাম খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়, সৃজনগ্ৰাম পশু চিকিৎসালয়, সৃজনগ্ৰাম খণ্ড প্ৰাথমিক চিকিৎসালয়কে ধৰি বিভিন্ন শিক্ষানুষ্ঠান বজাৰ হাট আৰু তুলুঙীয়া বজাৰৰ পূব দিশৰ জনতাই বঙাইগাঁও জিলা আয়ুক্ত, জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক, চৰকাৰী বিভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ কাৰ্যালয়, উচ্চ শিক্ষানুষ্ঠান, চিকিৎসালয়, বজাৰ হাট আদিৰ সতে যোগাযোগ কৰাত বহুত অসুবিধা অনুভৱ কৰিবলগীয়া হৈছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় ঘাইপথটোৱে তুলুঙীয়া বজাৰৰ যিখিন অংশত বৰঘোলা-উত্তৰশালমাৰা গড়কাপ্তানি পথক দ্বিখণ্ডিত কৰিছে তাৰ পূব দিশত থকা সৃজনগ্ৰাম, চক্ৰভৌম, কোকিলা, কীৰ্তনপাৰা, বালাৰচৰ, গোলাপাৰা, জপেয়া, আমবাৰী, কাছাৰীপেটী আদিকে ধৰি বৰপেটা জিলা আৰু বঙাইগাঁও জিলাৰ সীমামূৰীয়া অঞ্চলৰ ৰাইজ আৰু তুলুঙীয়া বজাৰৰ পশ্চিম দিশত থকা উত্তৰ শালমাৰা, খগৰপুৰ, বইটামাৰী, তুলুঙীয়া আদি অঞ্চলৰ ৰাইজে ইতিমধ্যে বঙাইগাঁও জিলাৰ জিলা আয়ুক্ত, ৰাষ্ট্ৰীয় ঘাইপথৰ বঙাইগাঁৱৰ কাৰ্যালয়ৰ বিষয়াক সেই ঠাইত এটা সুৰংগ পথ নতুৱা উৰণীয়া সেতু নিৰ্মাণৰ দাবী কৰি আহিছে। কিন্তু বিভিন্ন কাৰণত তেওঁলোকৰ পৰা ৰাইজে যোগাত্মক সঁহাৰি লাভ কৰা নাই। সেই বাবে ৰাইজে বিষয়টো কেন্দ্ৰীয় মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিব বিচাৰি এখন স্মাৰকপত্ৰ প্ৰস্তুত কৰে আৰু সেই স্মাৰকপত্ৰখন আজি কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাড়ীৰ হাতত অৰ্পণ কৰে। মনকৰিবলগীয়া এই যে ৰজাদিনীয়া কালৰে পৰা বৰঘোলা-উত্তৰশালমাৰা পথটো আছিল। বৃটিছেও পথটো ব্যৱহাৰ কৰিছিল। তেওঁলোকে কেবা ঠাইত নিৰ্মাণ কৰিছিল লোহাৰ ব্ৰীজ। ১৯৯১ চনত সেই পথটো সোণাখুলি-আমতোলা পাহাৰৰ মাজেয়েদি পকীকৰণ কৰিছিল। শেহতীয়াকৈ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ হস্তক্ষেপত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পথটোক চিগ্নেছাৰ পথলৈকে ৰূপান্তৰিত কৰি পথটো বহলকৰণ কৰিছে। কিন্তু পথটো ৰাষ্ট্ৰীয় পথটোৰ সংযোগ হোৱাৰ পাছত ৰাইজে যাতায়তৰ দিশত ভোগ কৰি আহিছে নানান অসুবিধা। আজি সাক্ষাৎৰ সময়ত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাড়ীয়ে ৰাইজৰ দাবী পুৰণৰ আশ্বাস দিয়ে বুলি অভয়াপুৰী উত্তৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক ভূপেন ৰায়ে জানিবলৈ দিয়ে।

# মাকুমত আছুৰ পৰিৱেশ-জলবায়ু সজাগতা সপ্তাহ আৰম্ভ

**অসম বাৰ্তা মাকুম, ৩ ডিচেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে আছুৰ প্ৰতিখন জিলা সমিতি আৰু আঞ্চলিক সমিতি সমূহৰ উদ্যোগত ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা আৰম্ভ কৰা হৈছে শীৰ্ষক পৰিৱেশ-জলবায়ু সজাগতা সপ্তাহ। বিগত বৰ্ষৰ দৰে চলিত বৰ্ষটো মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ৰূপায়ণ কৰা হৈছে আছুৰ এই বিশেষ কাৰ্যসূচী। পৰিৱেশ-জলবায়ু সজাগতা সপ্তাহ কাৰ্যসূচী ভাগি ৰূপায়ণ কৰাৰ মূল উদ্দেশ্যই হ'ল বৰ্তমান সময়ত ভয়াৱহ ভাবে বাঢ়ি অহা জলবায়ুৰ পৰিবৰ্তন প্ৰদূষণ, আৰু জৈৱ বৈচিত্ৰ্যসমূহ সংৰক্ষণ কৰা, লগতে সমাজ খনত চলি থকা বিশৃংখলময় পৰিৱেশ আদি দূৰ কৰাৰ ক্ষেত্ৰত ৰাইজক সজাগ কৰা। শীৰ্ষক পৰিৱেশ-জলবায়ু সজাগতা সপ্তাহ আজি অৰ্থাৎ প্ৰথম দিনা কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত মাকুম গংগা বিচন চৌখানী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা সমগ্ৰ মাকুম চহৰলৈ বুলি চাইকেল ৰেলী কাৰ্যসূচী, দ্বিতীয় দিনা চাফাই অভিযান কাৰ্যসূচী, তৃতীয় দিনা সজাগতা সভা কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব বুলি মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শিৱা দাসে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে। আজি আৰম্ভ হোৱা চাইকেল ৰেলীৰ কাৰ্যসূচী তিনিচুকীয়া জিলা সমিতিৰ বিষয়ববীয়া আৰু মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ অন্যান্য সদস্য সকলৰ উপস্থিতিত শুভাৰম্ভ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়াই। উক্ত চাইকেল ৰেলীত মাকুম গংগা বিচন চৌখানী উচ্চতৰ মাধ্যমিক বিদ্যালয় খনৰ ছাত্ৰ সকলেও অংশগ্ৰহণ কৰে।

# ৰূপহী শিক্ষাখণ্ডৰ দ্বাৰা আন্ত-ৰ্জাতিক দিব্যাংগ দিৱস উদযাপন




**অসম বাৰ্তা, পুৰণিগুদাম, ৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ ৰূপহী শিক্ষাখণ্ডৰ সামূহিক শিক্ষাৰ দ্বাৰা সাত দিনীয়া কাৰ্যসূচীৰে শিক্ষাখণ্ডৰ বিভিন্ন বিদ্যালয়ত দিব্যাংগ দিৱস উদযাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি যোৱা ২৭ নৱেম্বৰৰ পৰা সপ্তাহযোৱা কাৰ্যসূচীৰে শিক্ষাখণ্ডৰ অধীনৰ বিভিন্ন বিদ্যালয়ত সাধাৰণ আৰু দিব্যাংগ বা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সমতা স্থাপন কৰি বিভিন্ন খেল-ধেমালি, ৰচনা, চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে আজি অন্তিম দিনাৰ কাৰ্যসূচী সোণাৰিবালি মধ্য ইংৰাজী বিদ্যালয়ত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। পুৱা পতাকা উত্তোলন আৰু শুভাযাত্ৰাৰে আৰম্ভণি কৰা কাৰ্যসূচীত সাধাৰণ আৰু বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা, নৃত্য আৰু সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় আৰু স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰেৰে প্ৰদান কৰা হয়। এই অনুষ্ঠানতে ২০২৪-২০২৫ বৰ্ষত শিক্ষাখণ্ডৰ অধীনৰ বিদ্যালয়সমূহৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা দিব্যাংগ ছাত্ৰ-ছাত্ৰীসকলক ফুলাম গামোচা, মানপত্ৰ আৰু উপহাৰেৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে ৰূপে উপস্থিত থাকে জিলা আঁচনি বিষয়া গুলজাৰ হুচেইন, ৰূপহী শিক্ষাখণ্ডৰ সামূহিক শিক্ষা কোষৰ বিষয়া দুৰ্লভ পৱন বৰুৱা আৰু দিব্যজ্যোতি ভট্ট, ৰূপামণি কাকতি, প্ৰাক্তন শিক্ষাবিদ জামালউদ্দিন আহমেদ, সোণাৰিবালী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰফিকুল ইছলাম প্ৰমুখ্যে সমূহ শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাখণ্ডৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়কসকল, পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু নিশিকান্ত বৰুৱা হাইস্কুলৰ ক্ৰমে দ্বীপশিখা বৰা আৰু ৰূপামণি গায়নৰ লগতে বিভিন্ন গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উক্ত সমগ্ৰ কাৰ্যসূচীৰ সমূহৰ সফল ৰূপায়ণ আৰু সকলোৰে সহযোগিতাৰ বাবে শিক্ষাখণ্ডৰ 'সামূহিক শিক্ষা' কোষৰ বিষয়া দুৰ্লভ পৱন বৰুৱাই সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

ৰাজ্যৰ ৩৫ শিল্পীৰ অংশগ্ৰহণ

# সোণালী জয়ন্তী বৰ্ষত ডিব্ৰুগড়ত সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদৰ চিত্ৰ প্ৰদৰ্শনী




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৩ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ আমোলাপট্টি নাট্যমন্দিৰ প্ৰেক্ষাগৃহত সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদৰ অসম ৰাজ্যিক আঞ্চলিক চিত্ৰ প্ৰদৰ্শনী আৰু সমাৱৰ্তন অনুষ্ঠিত হয়। গৌৰৱজ্জ্বল ৫০ বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তী বৰ্ষত ভৰি দিয়া বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে দেশৰ বিভিন্ন ঠাইত পৰিষদে বিভিন্ন অনুষ্ঠান কৰি আহিছে। এই উদ্দেশ্যে দুদিনীয়া কাৰ্যসূচীৰ ২৯ তাৰিখে ১০ বজাত প্ৰয়াত তিনিগৰাকী শিল্পী ক্ৰমে হিয়াৰ আমঠু জুবিন গাৰ্গ, আন্তঃৰ্জাতিক খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মা আৰু ডিব্ৰুগড়ৰ অনাতাঁৰ শিল্পী চৈয়দ ছাদুল্লাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি অনুষ্ঠানটি শুভাৰম্ভ কৰা হয়। গুৱাহাটীৰ পৰা অহা প্ৰিণ্টমেকাৰ তথা চিত্ৰশিল্পী আফতাৰ আলি ৰাজায়ে ছাত্ৰ-ছাত্ৰী সকলক প্ৰিণ্টমেকিংৰ কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰে। বিয়লি ৪ বজাত চিত্ৰ প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে কানৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰী অধ্যাপিকা ডo ভাৰতী দত্তই। বন্তি প্ৰজ্জ্বলন কৰে অম্বৰিশ ভট্টাচাৰ্য্য, ডঃ শান্তনু সেনগুপ্ত। প্ৰদৰ্শনীত অসমৰ ৩৫ গৰাকী চিত্ৰশিল্পীয়ে অংশগ্ৰহণ কৰে। ৩০ নৱেম্বৰত বিয়লি ২ বজাৰ পৰা সমাৱৰ্তন অনুষ্ঠিত হয়। অনুষ্ঠানৰ আদৰণি ভাষণ আগবঢ়ায় সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদৰ সম্পাদক ডo শান্তনু সেনগুপ্তই। উদ্বোধনী ভাষণ প্ৰদান কৰে মাজুলি বিশ্ববিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ পঞ্জীয়ক ডo বিনোদ চন্দ্ৰ বৰাই। সাহিত্যাচাৰ্য্য ডo ভীমকান্ত বৰুৱাক পৰিষদৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। জ্যেষ্ঠ সাংবাদিক ইকবাল আহমেদেও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত অম্বৰীশ ভট্টাচাৰ্য আৰু সনৎময় বৰুৱাক সম্বৰ্ধনা জনোৱা হয়। ২০ বছৰ পৰিষদৰ স'তে জড়িত থকা ব্যক্তিক 'জীৱন জোৰা সাধনা বটাঁ', অনলাইন সাংস্কৃতিক প্ৰতিযোগিতাৰ পুৰস্কাৰ প্ৰদান কৰাৰ লগতে ১ম পুৰস্কাৰপ্ৰাপ্ত শিক্ষাগুৰু সকলক "গুৰুশ্ৰী বটাঁ" প্ৰদান কৰা হয়। 'বিশাৰদ'আৰু 'ৰত্ন' উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকলক প্ৰমাণ পত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডo শশীকান্ত শইকীয়া। সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰে পৰিষদৰ বিভিন্ন কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰী সকলে। দুদিনীয়া অনুষ্ঠানটি সঞ্চালনা কৰে মৈত্ৰেয়ী বৰুৱাভৌমিক, আয়েত্ৰী বৰুৱাই। শলাগৰ শৰাই আগবঢ়ায় উদ্যোক্তা তথা পৰিষদৰ সমন্বয়ক আন্তঃৰ্জাতিক খ্যাতিসম্পন্ন চিত্ৰশিল্পী চুটাপা চৌধুৰীয়ে।

# মেৰাপানীত আৰম্ভ হ'ল মেৰাপানী গ্ৰন্থ মেলা আৰু সাহিত্য উৎসৱ

**অসম বাৰ্তা, মেৰাপানী, ৩ ডিচেম্বৰ ঃ** মেৰাপানীত আজিৰে পৰা আৰম্ভ হ'ল মেৰাপানী গ্ৰন্থ মেলা আৰু সাহিত্য উৎসৱ, প্ৰথম দিনা মেৰাপানী গ্ৰন্থ মেলাৰ বাকৰিত কৃষকৰ এদিন শীৰ্ষক কাৰ্য্যসূচী, দৈয়াং সাহিত্য সন্মিলনী আৰু দৈয়াং কৃষক সন্থাৰ বিশেষ সম্বৰ্ধনা কাৰ্যসূচী। অসম নাগালেণ্ড সীমান্তৰ মেৰাপানীত আজিপৰা আৰম্ভ হ'ল মেৰাপানী গ্ৰন্থৰ্দমলা আৰু সাহিত্য উৎসৱ। আজি কাৰ্যসূচী অনুসৰি প্ৰথম দিনাই পুৱাৰ ভাগত পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি ড° বিদুৰ বৰুৱা দৈয়াং সাহিত্য সভাৰ সভাপতি কৃষ্ণ দত্ত আৰু কা সভাপতি চন্দ্ৰ দ্বীপ গগৈয়ে। ইয়াৰ পিছতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনায় দৈয়াং সাহিত্য সভাৰ উপদেষ্টা কেশৱ চন্দ্ৰ ফুকনে সহযোগ কৰে সদৌ দৈয়াং কৃষক সন্থাৰ মুখ্য সম্পাদক দিগন্ত শইকিয়াই, গ্ৰন্থ মেলা দ্বাৰা উদ্বোধন কৰে জামুগুৰি আঞ্চলিক বন বিষয়া ৰঞ্জিত বৰুৱাই। দিনৰ ১ বজাৰ পৰা আৰম্ভ হোৱা সদৌ দৈয়াং কৃষক সন্থাৰ "কৃষকৰ এদিন" কাৰ্যসূচীত বিভিন্ন প্ৰান্তৰ কেইবাজনো বিশিষ্ট ব্যক্তিক ফুলাম গামোচা আৰু মানপত্ৰৰে সন্মান প্ৰদান কৰে। আনফালে দৈয়াং সাহিত্য সন্মিলনীয় প্ৰকৃতি প্ৰেমী শ্ৰদ্ধাৰ চৰাইমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক মৃদুল বৰাক সেউজ সৈনিক নামেৰে আজি মেৰাপানী গ্ৰন্থ মেলা বাকৰিত সন্মানীত কৰে। উল্লেখযোগ্য যে মৃদুল বৰাই বিগত বছৰ বছৰ ধৰি নিজৰ গাঠি ধন খৰচ কৰি দৈয়াংৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানলৈ গছপুলি বিতৰণ কৰি আহিছে। আনহাতে আজি পৰা ৮ ডিচেম্বৰলৈ আৰম্ভ হোৱা মেৰাপানী গ্ৰন্থ মেলা আৰু সাহিত্য উৎসৱলৈ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে গ্ৰন্থ প্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে গ্ৰন্থ মেলা আয়োজক সমিতিযে

# বিজনীত জনস্বাস্থ্য আৰু হস্ততাত বিভাগৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদৰ প্ৰতিকৃতি দাহ



**অসমবাৰ্তা, বিজনী, ৩ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ বিজনী মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ উদ্যোগত আজি বিয়লি বিটিচিৰ জনস্বাস্থ্য আৰু হস্ততাত বিভাগৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদৰ প্ৰতিকৃতি দাহ কৰা হয়। বিটিচিৰ সচিবালয়ত বডোলেণ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজে কৰা আক্ৰমণক এবছু আৰু ইউপিপিএলে ক্ষমতা হেৰুৱাই পাগল হৈ এই কাৰ্য কৰা বুলি মন্তব্য কৰিছিল বেগম আখতাৰা আহমেদে। বেগম আখতাৰা আহমেদৰ এই মন্তব্যৰ বিৰুদ্ধে বিজনী মহাবিদ্যালয়ৰ ছাত্ৰ সমাজে উক্ত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰী সকলে ট্ৰাইবেল বিৰোধী গ' বেক, বেগম আখতাৰা আহমেদ হায় হায়, চিচিটিওৱা জিন্দাবাদ, ট্ৰাইবেল ইউনিটি লং লিভ আদি শ্লোগান দি প্ৰতিবাদস্থলী উত্তাল কৰি তোলে।

# চেলেংহাটৰ জ্ঞানমজ্যোতি বৰা অসম মেডিকেল কলেজৰ ছাত্ৰ একতা সভাৰ সভাপতি নিৰ্বাচিত

**অসম বাৰ্তা, আমগুৰি, ৩ ডিচেম্বৰ ঃ** অসমৰ গৌৰৱোজ্জ্বল চিকিৎসা শিক্ষাৰ প্ৰথমখন প্ৰতিষ্ঠান অসম মেডিকেল কলেজৰ ছাত্ৰ একতা সভাৰ নতুন কমিটি ঘোষণা কৰা হৈছে। এইবাৰৰ নিৰ্বাচনত সভাপতিৰ গুৰুত্বপূৰ্ণ পদত বিজয়ী হৈছিল চেলেংহাট কুকুৰাচোৱা গাঁৱৰ সন্তান আৰু চতুৰ্থ বৰ্ষৰ ছাত্ৰ জ্ঞানমজ্যোতি বৰা। চিকিৎসা শিক্ষাৰ লগতে নাট্যকলা আৰু অভিনয়ত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰা জ্ঞানমজ্যোতি বৰাৰ সফলতাই বৃহত্তৰ চেলেংহাটবাসী ৰাইজক আনন্দিত কৰিছে।

# আমগুৰি, হাঁহচৰাত অসম দিৱস উদ্‌যাপন



**অসম বাৰ্তা, আমগুৰি, ৩ ডিচেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে আজি আমগুৰিতো স্বৰ্গদেউ চ্যুকাফাৰ সোঁৱৰণত অসম দিৱস উদ্‌যাপন কৰা হয়। সদৌ তাই আহোম ছাত্ৰ সন্থা, বীৰ লাচিত সেনা অসম, অসমীয়া যুৱ মঞ্চ আৰু টাই আহোম যুৱ পৰিষদ অসম, আমগুৰি আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত আমগুৰি নগৰৰ চাৰিআলি সমীপত উদযাপন কৰা হয়। আটাছু শিৱসাগৰ জিলা সমিতিৰ উপ সভাপতি গৌতম দিহিঙীয়াই আঁত ধৰা চ্যুকাফা দিৱসৰ বন্তি প্ৰজ্বলন কৰে আমগুৰিৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা জ্যেষ্ঠ সমাজকৰ্মী ৰঞ্জিত শৰ্মাই। সদৌ তাই আহোম ছাত্ৰ সন্থাৰ জিলা সমিতিৰ সহঃ সাধাৰণ সম্পাদক প্ৰদ্যুৎ গগৈ, আমগুৰি আঞ্চলিক সমিতিৰ সভাপতি আকাশ গগৈ, যুটীয়া সম্পাদক অংকুৰ গগৈ, বিতুপন গগৈ, অসমীয়া যুৱ মঞ্চৰ আমগুৰি আঞ্চলিক সমিতিৰ সভাপতি দিগন্ত কলিতা, বীৰ লাচিত সেনা অসমৰ শিৱসাগৰ জিলা সমিতিৰ প্ৰশাসনিক সচিব উদয়াদিত্য বৰা, আমগুৰি আঞ্চলিক সমিতিৰ সম্পাদক ৰঞ্জন গগৈ, টাই আহোম যুৱ পৰিষদ শিৱসাগৰ জিলা সমিতিৰ সহ সম্পাদক আদিত্য ৰূচাওসহ বহুকেইগৰাকী জাতীয় সংগঠনৰ বিষয়ববীয়া উপস্থিত থাকে। আমগুৰি পৌৰসভাৰ প্ৰাক্তন পৌৰপতি জ্যোতিপ্ৰসাদ গগৈ, সমাজকৰ্মী ৰাতুল মহন্ত, পল্লৱজ্যোতি গগৈয়ে চাওলুঙ চ্যুকাফাৰ আদৰ্শ, দুৰদৃষ্টি তথা সাতৰাজ সামৰি একৰাজ কৰিব পৰা মহান জীৱনাদৰ্শৰ ওপৰত আলোকপাত কৰে। সেইদৰে যোৰহাট জিলাৰ হাঁহচৰা চাৰিআলিত হাঁহচৰা আঞ্চলিক টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আজি সন্ধ্যা বৰ অসমৰ ভেঁটি গঢ়োতা অসম আৰু অসমীয়াৰ পিতৃ পুৰুষ চাওলুং ছ্যু কা ফা দিৱস তথা অসম দিৱস পালন কৰে। যোৰহাট জিলা টাই আহোম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা মনোজ হাজৰিকাই আঁত ধৰা অনুষ্ঠানত হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মাধৱ গগৈয়ে ছাওলুং ছ্যুকাফা প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে।

# তিনিচুকীয়াত আন্তঃৰাষ্ট্ৰীয় বাধাগ্ৰস্থ ব্যক্তি দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৩ ডিচেম্বৰ ঃ** আন্তঃৰাষ্ট্ৰীয় বাধাগ্ৰস্থ ব্যক্তি দিৱস উপলক্ষে বুধবাৰে তিনিচুকীয়া জিলা প্ৰশাসন আৰু সমাজ কল্যাণ বিভাগৰ যুটীয়া উদ্যোগত তিনিচুকীয়াৰ গোপীনাথ বৰদলৈ অসামৰিক চিকিৎসালয়ত বাধাগ্ৰস্থ লোকৰ বাবে এটি শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত চৰকাৰী মাপদণ্ড অনুযায়ী শাৰীৰিকভাৱে অক্ষমতা থকা লোকৰ স্বাস্থ্য পৰীক্ষা কৰি তেওঁলোকক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। তদুপৰি তেনে বাধাগ্ৰস্থ লোকৰ নাম পঞ্জীয়ন কৰি প্ৰয়োজন অনুসৰি কৃত্ৰিম অঙ্গ বা সহায়ক সজুঁলি আদি যোগান ধৰাৰ বাবেও প্ৰশাসনৰ তৰফৰ পৰা ব্যৱস্থা গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰা হয়। অনুষ্ঠানত ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া মাধুৰীমা দিহিঙীয়াই বাধাগ্ৰস্থ লোকসকলৰ মাজত প্ৰমাণপত্ৰ বিতৰণ কৰে। তেওঁলোকক একক পৰিচয় পত্ৰ প্ৰদানৰো ব্যৱস্থা কৰা হয় বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জানিবলৈ দিয়ে।

# বাহনা মহাবিদ্যালয়ত বনগীত আৰু ড° ভূপেন হাজৰিকাৰ গীতৰ কৰ্মশালা

**অসম বাৰ্তা, যোৰহাট, ৩ ডিচেম্বৰ ঃ** বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি ৮-১০ ডিচেম্বৰলৈ বনগীত আৰু ড° ভূপেন হাজৰিকাৰ গীতৰ কৰ্মশালাৰ আয়োজন কৰিছে। কৰ্মশালাত সপ্তম শ্ৰেণীৰ পৰা মহাবিদ্যালয় পৰ্যায়ৰ আৰু আগ্ৰহীসকলে অংশ গ্ৰহণ কৰিব পাৰিব। কৰ্মশালাত সমল ব্যক্তি ৰূপে সংগীত শিল্পী দিপালীমা দুৱৰা চলিহাই অংশ গ্ৰহণ কৰিব। ইচ্ছুকসকলে ৬ ডিচেম্বৰৰ ভিতৰত দূৰভাষ: ৯৪৩৫০৪৯০১০, ৮৬৩৮০৩৪৭০০ নম্বৰত যোগাযোগ কৰিবলৈ আয়োজকসকলে আহবান জনাইছে।

আইন সেৱা প্ৰাধিকৰণ নগাঁও সচিব মুনমী নেওঁগৰ অংশগ্ৰহণ

# নগাঁৱত শ্ৰীমন্ত শংকৰ মিশ্যন-সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ বিশ্ব প্ৰতিবন্ধী দিৱস উদ্‌যাপন

## সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰো প্ৰতিবন্ধী দিৱস উদ্‌যাপন

**অসম বাৰ্তা, নগাঁও, ৩ ডিচেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে নগাঁও জিলাতো আজি বিশ্ব প্ৰতিবন্ধী দিৱস উদযাপন কৰা হয়। শ্ৰীমন্ত শংকৰ মিশ্যনৰ দ্বাৰা পৰিচালিত ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু স-শক্তি মন্ত্ৰালয়ৰ সাহায্যত পৰিচালনা কৰা জিলা প্ৰতিবন্ধী পুনৰ সংস্থাপন কেন্দ্ৰৰ উদ্যোগত নগাঁও জিলা প্ৰশাসন, নগাঁও জিলা সমাজ কল্যাণ বিভাগ আৰু নগাঁও জিলা বিকলাংগ সন্থাৰ সহযোগত মিশ্যনৰ লোকসেৱক হলধৰ ভূঞা সভাগৃহত অনুষ্ঠিত কৰা হয় বিশ্ব প্ৰতিবন্ধী দিৱস। পুৰা স্বচ্ছ ভাৰত অভিযানৰে দিৱসৰ শুভাৰম্ভ কৰা হয়। বিকলাংগ সন্থাৰ পতাকা উত্তোলন কৰে নগাঁও জিলা বিকলাংগ সন্থাৰ সভাপতি আলাল উদ্দিন আহমেদে। ইয়াৰ পিছতে প্ৰতিবন্ধী সকলৰ মাজত অনুষ্ঠিত হয় বিভিন্ন প্ৰতিযোগিতা। দুপৰীয়া বন্তি প্ৰজ্বলনৰে মুকলি সভা আৰম্ভ কৰা হয়। মিশ্যনৰ সভাপতি তথা প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মিশ্যনৰ সাধাৰণ সম্পাদক পৰাণ কুমাৰ মহন্তই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱাই প্ৰতিবন্ধী সকলক বিশেষভাৱে সক্ষম লোক বুলি অভিহিত কৰি কয় যে প্ৰতিবন্ধী সকল সমাজৰেই অংশ। কোনো লোকৰ ঘৰত প্ৰতিবন্ধী বা বিশেষভাৱে সক্ষম লোকৰ জন্ম হ'লে সাধাৰণতে মানুহৰ দৃষ্টিভংগী পৃথক হয়। পিতৃ-মাতৃৰ ওপৰত মানসিক চাপ পৰা দেখা যায়। আচলতে এনে হোৱা উচিত নহয়। এই প্ৰতিবন্ধী সন্তান সকলৰো বহু প্ৰতিভা আছে। তেওঁলোকক প্ৰতিভা বিকাশৰ সুযোগ দিয়া উচিত বুলি মন্তব্য কৰি ড° বেজবৰুৱাই কয় যে এয়া এক সামাজিক দায়িত্ব হিচাপে সকলোৰে গণ্য কৰিব লাগে। সভাত নগাঁও জিলা সমাজ কল্যাণ বিষয়া ভোলানাথ পেগু, নগাঁও জিলা ন্যায় সেৱা প্ৰাধিকৰণৰ সচিব মুনমী নেওঁগ, এলএডিছিএৰ সহকাৰী জেচমিন বেগম, বিকলাংগ সন্থাৰ সভাপতি আৰু সম্পাদক আদিয়ে ভাষণ প্ৰদান কৰে। সভাত মিশ্যনৰ উপসভাপতি ড° ধৰ্মেশ্বৰ গোস্বামীকে ধৰি মিশ্যনৰ কৰ্মকৰ্তা সকল, কৰ্মচাৰী, শতাধিক প্ৰতিবন্ধী আদিয়ে অংশগ্ৰহণ কৰে। সভাতেই নগাঁও জিলা সমাজ কল্যাণ বিভাগে দুগৰাকী দিব্যাংগক হুইল বিতৰণ কৰাৰ লগতে প্ৰতিযোগিতাৰ বিজয়ী সকলক বটা প্ৰদান কৰা হয়। ইপিনে সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ উদ্যোগত নৱজীৱন বিশেষ শিশু গৃহ আৰু বিশেষ দত্তক গ্ৰহণ কেন্দ্ৰৰ সহযোগত আয়োজিত বিশ্ব প্ৰতিবন্ধী দিৱসৰ কাৰ্যসূচী উদ্বোধন কৰি নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত দেৱাহুতি বৰাই বিশেষভাৱে সক্ষম বা দিব্যাংগ সকলৰ বিকাশৰ বাবে চৰকাৰে গ্ৰহণ কৰা আচনিৰ বিষয়ে উল্লেখ কৰে। সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সভাপতি প্ৰতাপ হাজৰিকাই আদৰণি ভাষণত কয় যে বিশেষভাবে সক্ষম সকলৰো জীৱন যুদ্ধত ব্ৰতী হোৱাৰ অধিকাৰ আছে। আজিৰ এই বিশেষ দিনটোত আমি সকলোৰে তেওঁলোকৰ লগী অতিবাহিত কৰাৰ প্ৰাপ্তিয়ে আমাক অনাবিল আনন্দ দিয়ে। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি নগাঁও জিলা সাহিত্য সভাৰ সভাপতি তথা শিক্ষাবিদ ড° শৰৎ বৰকটকীয়ে বিশ্ব প্ৰতিবন্ধী দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে বিশেষভাৱে সক্ষম সকলো সমাজৰ অংগ। সাম্প্ৰতিক সময়ত তেওঁলোকো স্ব-প্ৰতিভাৰে বিভিন্ন ক্ষেত্ৰত উজ্জ্বলি উঠিছে। তেওঁলোকক সকলোৰে সামাজিক আৰু ইতিবাচক দৃষ্টিৰে আগুৱাই নিব লাগিব বুলি ড° বৰকটকীয়ে মন্তব্য কৰে। সভাত উপস্থিত থাকি নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই প্ৰতিবন্ধী দিৱসৰ কেক কাটি সকলোকে শুভেচ্ছা জনাই কয় যে বৰ্তমানৰ অসম চৰকাৰে বিশেষভাৱে সক্ষম সকলৰ কল্যাণৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে বিশেষভাৱে সক্ষম সকলক বিভিন্ন ক্ষেত্ৰত আগুৱাই নিয়াৰ প্ৰয়াস কৰা হৈছে। সভাত জিলা ন্যায় সেৱা প্ৰাধিকৰণৰ সচিব মুনমী নেওগে বিশেষভাৱে সক্ষম বা দিব্যাংগ সকলৰ জীৱন পৰিক্ৰমাৰ বিষয়েএক মননশীল বক্তব্য প্ৰদান কৰে। সন্থাৰ প্ৰধান সম্পাদক খগেন চন্দ্ৰ নাথে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশেষভাৱে সক্ষম নৱজীৱন শিশু গৃহৰ আবাসী সকলে প্ৰতীকী হিচাপে এখন চমু নাটক প্ৰদৰ্শন কৰে। কৃপা কস্তুৰী বৰাই আতধৰা সভাত জিলা শিশু সুৰক্ষা বিষয়া অঞ্জলি আচাৰ্য, সন্থাৰ উপসভাপতি শচীন্দ্ৰ দেৱ মহন্ত, সমাজসেৱক ধেনুৰাম নাথ, ভৱেন বৰা, বিনোদ খেটাৱত, সাংবাদিক কনক হাজৰিকা, জিতেন বৰকটকী আদিয়ে অংশগ্ৰহণ কৰে। সভাত সাংস্কৃতিক কাৰ্যক্ৰম প্ৰদৰ্শন কৰা হয়।

আগন্তুক পঞ্চাশ বছৰলৈ ভাৰতত কংগ্ৰেছ চৰকাৰ শাসনলৈ আহিব নোৱাৰেঃ সুৰেশ বৰা

# বেলতলিত চামগুৰি সমষ্টিৰ গড়াজান মণ্ডলৰ সাংগঠনিক সভা সম্পন্ন



**অসম বাৰ্তা, নগাঁও, ৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ ভাৰতীয় জনতা পাৰ্টিৰ চামগুৰি সমষ্টিৰ অন্তৰ্গত গড়াজান মণ্ডলৰ নগাঁও চহৰৰ পাৰ্শ্ৱৱৰ্তী বেলতলিত এখনি বিশেষ সাংগঠনিক সভা আজি সন্ধিয়া সম্পন হয়। সভাত সভাপতিত্ব কৰে। গড়াজান মণ্ডলৰ সভাপতি বিপ-ৰ তৰফদাৰে। সভাত উপস্থিত থাকি চামগুৰি সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই নিজৰ ভাষণত কয় ৰাইজ চামগুৰি সমষ্টিত যদি প্ৰকৃত সন্মান পায় সেইয়া কেৱল বিজেপি চৰকাৰেহে দিব পাৰিব। পূৰ্বৰ চামগুৰি সমষ্টি আৰু এতিয়াৰ চামগুৰি সমষ্টিৰ মাজত পাৰ্থক্য আহিছে। আমি কংগ্ৰেছ ৰকিবুল হুছেইন, নুৰুল হুদাৰ দৰে নিকৃষ্ট ৰাজনীতি নকৰো। কিন্তু আমি সকলোৰে লগত হাতে হাত ধৰি ৰাজনীতি কৰিছো। আমি চবকা চাথ চবকা বিকাশ নিতীৰে কাম কৰিছো। আমাৰ চৰকাৰে ৰাইজৰ উন্নয়ন ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়াৰ বাবে কাম কৰিছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰে সংখ্যালঘু ৰাইজৰ উন্নয়নৰ বাবে কি কি কাম কৰিছিল। আৰু আমাৰ চৰকাৰে কি কাম কৰিছে সেইয়া বৰ্তমান ৰাইজে দেখা পাইছে। এইবাৰ যদি চামগুৰিত তানজিল হুছেইনে পুনৰ নিৰ্বাচন লেখে তেন্তে তেওঁলোকক কংগ্ৰেছৰ মানুহেই হৰুৱাব। তানজিল হুছেইন হাৰোতে কংগ্ৰেছৰ মানুহেই খানা খাইছিল। গতিকে সম্প্ৰতিৰ মাজেৰে ৰাজনীতি কৰি অঞ্চলৰ উন্নয়নৰ কাম কৰিব লাগিব। সভাত ভাষণ দি ৰাজ্যিক অবিচি মৰ্চাৰ উপ সভাপতি সুৰেশ বৰাই কয় আমি চামগুৰি সমষ্টিত পুনৰ পদুম ফুল ফুলাব লাগিব। সমষ্টিৰ উন্নয়নৰ বাবে দেশত আৰু অসমত আগন্তুক পঞ্চাশ বছৰলৈকে কংগ্ৰেছ চৰকাৰ কোনো কাৰণে নাহে। গতিকে ৰাইজ আপুনা লোক নিশ্চিত থাকক এতিয়া আৰু আগতে কংগ্ৰেছে সকলোকে ভয় খোৱাৰ দৰে বিজেপি চৰকাৰ পুনৰ আহিলে কোকো সাম্প্ৰদায়িক সংঘাত নাহে, সমাজৰ কোনো এটা মছদিত নাভাঙে। সভাত ভাষণ প্ৰদান কৰি বিজেপি ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নাজিৰ হুছেইনে কয়-বৰ্তমান মোডী চৰকাৰে অসম চৰকাৰৰ সহযোগত সমগ্ৰ ৰাজ্যৰ লগতে সংখ্যালঘু ৰাইজক উন্নয়নৰ দিশত বিশেষ গুৰুত্ব প্ৰদান কৰি আহিচে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম চৰকাৰেও অসমত সংখ্যালঘু ৰাইজৰ উন্নয়নত কোনো কুটি নোহোৱাকৈ উন্নয়নৰ কাম কৰিছে। সেইয়ে সংখ্যালঘু ৰাইজে ও বিজেপি চৰকাৰৰ সকলো ক্ষেত্ৰতে সহায় সহযোগ কৰি ভোট প্ৰদান কৰি আহিছে। লগতে তেওঁ আৰু কয় যে আগন্তুক ২০২৬ চনৰ নিৰ্বাচনতো সংখ্যালঘু ৰাইজে হাত উজাৰি বিজেপি চৰকাৰ গঠনত কৰাত ভোট প্ৰদান কৰিব বুলি কয়। সভাত ৰাজ্যিক অ বি চি মৰ্চাৰ উপ সভিপতি সুৰেশ বৰা, অগপ দলৰ চামগুৰি সমষ্টিৰ উপদেষ্টা মজিবুৰ ৰহমান, জিলা বিজেপিৰ সম্পাদক সুব্ৰত সিংহা, সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদক বাহাৰুল ইছলাম, লাওঁগাঁৱৰ বিশিষ্ট সমাজ সেৱক মজিবুৰ ৰহমান, যুৱ মৰ্চাৰ সভাপতি মলয় মণ্ডল, সংখ্যালঘু মৰ্চাৰ আনিচুৰ ৰহমানকে প্ৰমুখ্যে কৰি গড়াজান মণ্ডলৰ বিভিন্ন বিষয়ববীয়া সকল, লাওঁগাওঁঅঞ্চল তথা বেলতলি অঞ্চলৰ বহু সংখ্যা বিজেপি কাৰ্যকৰ্তা আৰু স্থানীয় শতাধিক ৰাইজ উপস্থিত থাকে।

# শিক্ষয়িত্ৰী শিশুমাই হাজৰিকাক বিদায় সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ৩ ডিচেম্বৰ ঃ** লখিমপুৰ জিলাৰ কদম মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী শিশুমাই হাজৰিকাক আজি বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিদ্যালয়খনত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাখনত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক কমল সোণোৱালে। সুদীৰ্ঘ ২৫ বছৰ শিক্ষকতা কৰা শিক্ষয়িত্ৰীগৰাকী যোৱা ৩০ নৱেম্বৰত অৱসৰ গ্ৰহণ কৰিছিল। শিক্ষাৰ্থীসকলে পৰিৱেশন কৰা সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাত আদৰণি ভাষণ প্ৰদান কৰে শিক্ষয়িত্ৰী বন্দনা বৰঠাকুৰে। বিদায়ী শিক্ষয়িত্ৰী গৰাকীক পৰিচালনা সমিতি, শিক্ষক সমাজ, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, ছাত্ৰ-ছাত্ৰী আদিয়ে সম্বৰ্ধনা পত্ৰ, গামোচা, শৰাইকে আদি কৰি বিভিন্ন উপহাৰ সামগ্ৰীৰে উষ্ম বিদায় সম্বৰ্ধনা জনোৱা হয়। সভাত শিক্ষয়িত্ৰী শিশুমাই হাজৰিকাৰ স্বামী নবিন চন্দ্ৰ দাসকো সম্বৰ্ধনা জনোৱা হয়। বিদায়ী সভাখনত কদম মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক টংকেশ্বৰ বৰা, কদম আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক কবীন সোণোৱাল আদি উপস্থিত থাকে।

# শিক্ষাবিদ, জ্যোতিষ শাস্ত্ৰজ্ঞ, মাজুলী বৰটানি গাঁৱৰ প্ৰভাত চন্দ্ৰ শৰ্মা শাস্ত্ৰীৰ আকস্মিক বিয়োগ

**অসম বাৰ্তা, উজনী মাজুলী, ৩ ডিচেম্বৰ ঃ** মাজুলী বৰটানি গাঁৱৰ শিক্ষাবিদ বৈদিক, জ্যোতিষ শাস্ত্ৰৰ পণ্ডিত, গড়মূৰ গোপাল দেৱ সংস্কৃত টোলৰ অৱসৰপ্ৰাপ্ত প্ৰধান অধ্যাপক প্ৰভাত চন্দ্ৰ শৰ্মা শাস্ত্ৰীৰ (৭৭) আকস্মিক মৃত্যুত শোক স্তব্ধ হৈ পৰিছে মাজুলীবাসী। আজি পুৱা চেন্নাইত অধ্যয়ন কৰি থকা একমাত্ৰ কন্যালৈ দিবৰ বাবে পেঞ্চনৰ টকা উলিয়াবলৈ কমলাবাৰী পাঞ্জাব নেচনেল বেংকৰ শাখালৈ গৈছিল প্ৰভাত চন্দ্ৰ শৰ্মা। সম্পূৰ্ণ সুস্থ অৱস্থাত থকা, খোৱা কৰি থকা শিক্ষাবিদ গৰাকীয়ে ঘৰৰ নিত্য নৈমিত্তিক কাম কাজ সমূহ কৰি বেংকত গৈ পইছা লোৱাৰ সময়তে ঢলি পৰে আৰু মুৰ ফাতি অচেতন হৈ পৰে। বেংক কৰ্মচাৰীৰ সহযোগত পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়লৈ লৈ গৈছিল যদিও চিকিৎসালয় গৈ পোৱাৰ আগতেই লোক জনৰ মৃত্যু হয়। ইফালে অতি অমায়িক স্বভাৱৰ লোক জনৰ মৃত্যু খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ মাজুলীতে শোকৰ ছাঁ পৰে। মৃতদেহ নিজ বাসগৃহত উপস্থিত হোৱাৰ পিছত পৰিয়ালৰ লোকৰ লগতে স্থানীয় ৰাইজে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আউনীআটী সত্ৰৰ পূজাৰী প্ৰদীপ শৰ্মা, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, মাজুলী জিলা দীপ সুৰক্ষা পৰিষদৰ সভাপতি জগত হাজৰিকা, গড়মূৰ গোপাল দেৱ সংস্কৃত টোলৰ প্ৰধান অধ্যাপক বুদ্ধিন শৰ্মা, আউনীআটী আঞ্চলিক জনতা কৃষ্টি সংঘৰ সভাপতি ৰমেশ বৰা, অমৃত যুৱ সংঘ, বৰটানী গাওঁ পৰিচালনা সমিতি আদিৰ প্ৰতিনিধিয়ে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মৃত্যুৰ সময়ত কণ্যাসহ এগৰাকী ভাতৃ, ভগ্নী, নাটিসহ এক বৃহৎ পৰিয়াল এৰি গৈছে। বেংক ব্যৱস্থাৰ ওপৰত তীব্ৰ অসন্তুষ্টি প্ৰভাত চন্দ্ৰ শৰ্মাৰ পৰিয়াল আৰু গাঁওবাসীৰ: পাঞ্জাব নেচনেল বেংকৰ শাখাত পুতৌলগা অৱস্থাৰ বাবে আজি বৰটানি গাঁৱৰ শিক্ষাবিদ বৈদিক জ্যোতিষ শাস্ত্ৰৰ পণ্ডিত প্ৰভাত চন্দ্ৰ শৰ্মা শাস্ত্ৰীৰ আকস্মিক মৃত্যু হোৱা বুলি গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপন কৰিছে পৰিয়ালৰ লোকৰ লগতে স্থানীয় ৰাইজে। শাখাটোত পৰ্যাপ্ত পৰিমাণে আসনৰ ব্যৱস্থা নথকাৰ উপৰিও এচি, ফেনৰ ব্যৱস্থা নাই বুলি উল্লেখ কৰে পৰিয়ালৰ লোকে। আনফালে জ্যেষ্ঠ নাগৰিক সকলৰ বাবে সহানুভূতি প্ৰদৰ্শন নকৰা আৰু সময়মতে গ্ৰাহকক আজৰি কৰি নিদিয়াৰ অভিযোগ উত্থাপন হৈ থকাৰ সময়তে আজি লোক জনৰ আকস্মিক মৃত্যুক সহজভাৱে লোৱা নাই পৰিয়ালৰ লোকে। এই ক্ষেত্ৰত অনাগত দিনত গ্ৰাহকৰ সমস্যাৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনাইছে মাজুলীৰ সচেতন ৰাইজে।

ৰাজবংশী অধ্যুষিত অঞ্চলত কংগ্ৰেছৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰাৰ হুংকাৰ

# অভয়াপুৰীত কোচ ৰাজবংশী ৰাষ্ট্ৰীয় ছাত্ৰ সন্থাৰ বিক্ষোভ

## কোচ ৰাজবংশীক জনজাতিকৰণ প্ৰসংগত কংগ্ৰেছক সকিয়নী কোচ ৰাজবংশী ছাত্ৰ সমাজৰ




**অসম বাৰ্তা, অভয়াপুৰী, ৩ ডিচেম্বৰ ঃ** কোচ ৰাজবংশী জনগোষ্ঠীসহ ৰাজ্যৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ দাবী বহুদিন ধৰি চৰ্চাত আছে। এই দাবীক লৈ পুনৰ কালি চৰ্চা উঠিল ৰাজ্যসভাত। ৰাজ্যসভাত সাংসদ বিৰেন্দ্ৰ প্ৰসাদ বৈশ্যই কোচ ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয় উচ্চাৰণ কৰোঁতেই বিতৰ্কৰ সৃষ্টি হয়। উক্ত বিষয় উত্থাপন কৰাৰ সময়তে কংগ্ৰেছ সাংসদসকলৰ আচৰণক লৈ কোচ ৰাজবংশী ৰাষ্ট্ৰীয় ছাত্ৰ সন্থা আৰু অভয়াপুৰী মহাবিদ্যালয়ৰ কোচ ৰাজবংশী ছাত্ৰ সমাজ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। ছাত্ৰ সংগঠনটোৰ মতে, ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয়টো ৰাজনৈতিক বিতৰ্কৰ উপকৰণ নহয়, ই জাতিগত সন্মান, অধিকাৰ আৰু বহু দীৰ্ঘদিনৰ দাবী। কংগ্ৰেছ সাংসদসকল এই গম্ভীৰ বিষয়টোক উপহাসজনকভাৱে লৈ আচৰণ কৰিছে বুলি অভিযোগ উত্থাপন কৰি কয়- "যদি কংগ্ৰেছ দল বাৰম্বাৰ ছয় জনগোষ্ঠীৰ জনজাতি মৰ্যাদাৰ দাবীৰ বিৰুদ্ধে ভূমিকা গ্ৰহণ কৰি থাকে, তেন্তে অনাগত দিনত কোচ ৰাজবংশী অধ্যুষিত সমগ্ৰ অঞ্চলত কংগ্ৰেছৰ প্ৰৱেশ নিষিদ্ধ ঘোষণা কৰাৰ দৰে কঠোৰ সিদ্ধান্ত ল'ব লাগিব। "আজি অভয়াপুৰী মহাবিদ্যালয়ৰ সন্মুখত কোচ ৰাজবংশী ৰাষ্ট্ৰীয় ছাত্ৰ সন্থা, কোচ ৰাজবংশী জনগোষ্ঠীৰ স্থানীয় লোক আৰু ছাত্ৰ সমাজে হাতে হাতে প্লে'কাৰ্ড লৈ বিক্ষোভ প্ৰকাশ কৰে। "ন' এছ টি ন' ৰেষ্ট", "উই ৱাণ্ট এছ টি", "ন' এছ টি ন' ভোট"আদি শ্লোগানেৰে পৰিৱেশ উত্তাল কৰি তোলে। অভয়াপুৰী মহাবিদ্যালয়ৰ সন্মুখভাগত এই দাবীক লৈ তীব্ৰ বিক্ষোভ প্ৰদৰ্শন কৰা হয় আৰু ছাত্ৰ সমাজৰ এই শক্তিশালী প্ৰতিবাদে পুনৰ এবাৰ জনজাতিকৰণৰ দাবীক ৰাজ্যৰ ৰাজনৈতিক আলোচনাৰ কেন্দ্ৰবিন্দুত আনিবলৈ সক্ষম হয়।

অট্টালিকা চীল আৰু ভঙাৰ নিৰ্দেশ পৌৰনিগমৰ

# ডিব্ৰুগড়ত নিৰ্মীয়মান অট্টালিকাৰ পকীবেৰ খহি প্ৰতিৱেশী মহিলাৰ মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৩ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ লোহাৰপট্টিত অবৈধ তথা ভয়ংকৰ ভাৱে নিৰ্মিত পঞ্চ মহলা বিল্ডিংত পৌৰ নিগমৰ হাতুৰীৰ কোব। ভাঙি দিয়া হ'ল ডিব্ৰুগড় মহানগৰৰ লোহাৰপট্টিত অবৈধ ভাৱে নিৰ্মাণ কৰা অট্টালিকাটো। অবৈধ ভাৱে নিৰ্মীয়মান অট্টালিকাটোৰ পৰা ৱাল বাগৰি পৰি মৃত্যু হৈছিল ছালমা বেগম নামৰ এগৰাকী প্ৰতিবেশী মহিলাৰ। নিজৰ টিউবৱেলৰ পাৰত বাচন মাজি থাকোঁতে মহিলা গৰাকীৰ গাত নিৰ্মীয়মান অট্টালিকাটোৰ পৰা খহি পৰিছিল ইটা সহ পকী দেৱাল। প্ৰায় ১২-১৪ ফুট বহল ভূমিতে অবৈধ ভাৱে নিৰ্মিত ৫ মহলা উচ্চতাৰে নিৰ্মাণ কৰা হৈছিল অট্টালিকাতো। যাৰ বাবে পৌৰ নিগমৰ ওপৰত উঠিছিল অভিযোগৰ আঙুলি উঠিছিল। তাৰ পাছতে অট্টালিকাতো ভাঙি দিয়াৰ নিৰ্দেশ দিয়া হৈছিল। ইপিনে এই নিৰ্দেশনাৰ পাছতো কোনো গুৰুত্ব নাছিল বিশাল অট্টালিকাটো নিৰ্মাণ কৰা স্বত্বাধিকাৰ ইউনুছ খানৰ। ইফালে আজি জিলা প্ৰশাসনসহ পৌৰ নিগমৰ বিশাল বাহিনী আহি এফালৰ পৰা ভাঙি দিয়ে পঞ্চ মহলাৰ অবৈধ নিৰ্মিত এই অট্টালিকাটো। উল্লেখযোগ্য যে নীতিবহিৰ্ভূতভাৱ ডিব্ৰুগড়ত এতিয়াও নিৰ্মাণ হৈ আছে অট্টালিকা। যাৰ প্ৰতি কোনো ধৰণৰ গুৰুত্ব নাই পৌৰ নিগমৰ। প্ৰথমে বিল্ডিং নিৰ্মাণ কৰে আৰু পিচত পৌৰ নিগমৰ পৰা কাগজ পত্ৰ সংগ্ৰহ কৰে বুলি বিভিন্ন অভিযোগ উত্থাপন কৰিছে ৰাইজে। ডিব্ৰুগড় নগৰ পৰিকল্পনা আৰু পৌৰনিগমৰ চকুত ধূলি দি মহানগৰত নিৰ্মাণ হৈ আছে সুউচ্চ অট্টালিকা। অনৈতিকভাৱে নিৰ্মিত এনে অট্টালিকাৰ দেৱাল খহি মহানগৰৰ লোহাৰপট্টি অঞ্চলত পাঁচ মহলীয়া উচ্চতাৰ নিৰ্মীয়মান অট্টালিকাৰ দেৱাল খহি পৰাত আঘাতপ্ৰাপ্ত হয় এগৰাকী মহিলা। জানিব পৰামতে ডিব্ৰুগড় লোহাৰপট্টি অঞ্চলত সংঘটিত হোৱা ঘটনাত চালমা বেগম (৪৮) নামৰ মহিলা গৰাকীয়ে চিকিৎসালয়ত জীৱন মৃত্যুৰে যুঁজি অৱশেষত মৃত্যু হয়। লোহাৰপট্টি অঞ্চলত অতি কম ঠাইত প্ৰায় ৫ মহলাৰ নিৰ্মাণকাৰ্য চলাই থকা এটা অট্টালিকাৰ পৰা চিমেণ্ট, ইটা, টিনপাতসহ বৃহৎ অংশ সৰি পৰে প্ৰতিৱেশী মহিলা গৰাকীৰ গাত। সেই সময়ত নিজৰ টিউবেলৰ পাৰত বাচন ধুই আছিল মহিলাগৰাকী। তেনে সময়ত ওপৰৰ পৰা পকী দেৱালৰ অংশ খহি মহিলাৰ গাত পৰে। অভিযোগ অনুসৰি মাত্ৰ প্ৰায় ১৫-২০ ফুট এলেকাত ৫টা মহলা অট্টালিকাটো নিৰ্মাণ কৰা বিষয়টোও অতি ভয়াৱহ। উল্লেখযোগ্য যে টাউন পে-নিঙৰ পৰ্যবেক্ষণৰ পাছতে ডিব্ৰুগড় পৌৰ নিগমে শেষ চহী কৰি গৃহ নিৰ্মাণৰ অনুমতি প্ৰদান কৰে। তেনে ক্ষেত্ৰত অতি কম আৰু ঠেক পৰিসৰত কেনেকৈ এই অট্টালিকা সজাৰ অনুমতি দিয়া হ'ল তাক লৈয়ো পৌৰনিগমৰ অভিযন্তাকে ধৰি তদাৰক কৰা বিষয়াৰ বিৰুদ্ধে উঠিছে অভিযোগৰ আঙুলি।

# আমগুৰিত সন্ত সন্মিলন-সাংস্কৃতিক সমাৰোহৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, আমগুৰি, ৩ ডিচেম্বৰ ঃ** বৃহত্তৰ আমগুৰি অঞ্চলৰ ২১খন গাঁৱৰ ৰাইজৰ সহযোগত আঞ্চলিক আধ্যাত্মিক উত্তৰণ সমিতিয়ে ৫ দিনীয়াকৈ আধ্যাত্মিক আৰু সাংস্কৃতিক কাৰ্যসূচীৰে আয়োজন কৰা সন্ত সন্মিলন-২ আৰু সাংস্কৃতিক সমাৰোহৰ লাইখুঁটা আজি আনুষ্ঠানিকভাৱে স্থাপন কৰা হয়। আমগুৰি ভূঞাহাটত ঐতিহ্যমণ্ডিত আউনীআটী শাখা সত্ৰৰ সমীপৰ শিৰোমণি সমন্বয় ক্ষেত্ৰত মূল মণ্ডপৰ লাইখুঁটা মাংগলিক কাৰ্যসূচীৰে স্থাপন কৰে দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱাই। আঞ্চলিক আধ্যাত্মিক উত্তৰণ সমিতিৰ সভাপতি কোষেশ্বৰ বৰুৱা, কাৰ্যকৰী সভাপতি অমৰজিৎ গগৈ, মুখ্য সম্পাদক অভীপ্সিত শইকীয়া আৰু উদযাপন সমিতিৰ সভাপতি প্ৰফুল্ল নেওগ, কাৰ্যকৰী সভাপতি কৃষ্ণকান্ত ভূঞা, মুখ্য সম্পাদক সঞ্জীৱ কুমাৰ শইকীয়াৰ তত্ত্বাৱধানত অনুষ্ঠিত আৰু অধ্যাপক প্ৰাঞ্জল প্ৰতিম বড়াই আঁত ধৰা এই অনুষ্ঠানত অধ্যক্ষ বৰুৱাই লাইখুঁটা স্থাপন কৰি গুৰুজনাৰ জীৱন আদৰ্শ-দৰ্শন আৰু নতুন প্ৰজন্মৰ ভূমিকাৰ ওপৰত তথ্য আৰু তত্ত্ব সম্বলিত বক্তব্য আগবঢ়াই। স্থানীয় যুৱকসকলৰ গায়ন-বায়ন আৰু ধৰ্মপ্ৰাণ ব্যক্তি হৰেণ বড়াৰ মংগলচৰণেৰে অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত একৈশখন গাঁৱৰ ধৰ্মপ্ৰাণ ৰাইজ প্ৰতিনিধিবৰ্গৰ লগতে ড° অনিল কুমাৰ গগৈ, দিগন্ত বৰুৱা, দুলচন্দ্ৰ কলিতা, মৃগেন নেওগ, ৰমেন চেতিয়া, ৰঞ্জন বৰুৱা, বিশিষ্ট মুখাশিল্পী প্ৰদীপ হাজৰিকা, দেৱজিৎ গগৈ, মনোজ লাহন, নয়ন শইকীয়া প্ৰমুখ্যে গণ্য-মান্য বক্তিসকল উপস্থিত থাকে।

# গোটলং গাঁৱত ওৱাজ মেহফিল হিয়াৰ আমঠু জুবিন গাৰ্গৰ নামত নাহৰ পুলি কৰাৰ লগতে সামাজিক সমস্যা সমূহৰ ওপৰত সজাগতা বৃদ্ধিৰ প্ৰয়াস

**অসম বাৰ্তা, তেজপুৰ সদৰ, ৩ ডিচেম্বৰ ঃ** যোৱা ২৯ নৱেম্বৰ তাৰিখে তেজপুৰ চহৰৰ নিকটৱৰ্তী গোটলং গাঁৱত অৱস্থিত দাৰুল উলুম আশ্ৰাফিয়া মাদ্ৰাছাৰ উদ্যোগত সমাজত দ্বিনী পৰিৱেশ সৃষ্টি কৰাৰ লগতে সামাজিক সমস্যা সমূহৰ ওপৰত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে এক ওৱাজ মেহফিলৰ আয়োজন কৰে। ৰাতিপুৱাই প্ৰথম কাৰ্য্যসূচী হিচাপে কোৰআন খতম কৰাৰ পিছত ৰাতিপুৱা ৯.০০ বজাত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ স্মৃতি সজীৱ কৰাৰ বাবে গোটলং দোলাবাৰী অঞ্চলৰ বিশিষ্ট ব্যক্তি সকলৰ দ্বাৰা নাহৰ গছৰ পুলি ৰোপণ কাৰ্য্যসূচী ৰূপায়ণ কৰে। ৰাতিপুৱা ১০ বজাত ওৱাজ মেহফিলৰ লগত সংগতি ৰাখি সামাজিক সমস্যা সমূহৰ ওপৰত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ প্ৰয়াস হিচাপে এক সজাগতামূলক পদযাত্ৰাৰ আয়োজন কৰে। অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক তথা যুৱ সাংবাদিক ছাইদুল ইছলামে আঁত ধৰা পদযাত্ৰাৰ শুভাৰম্ভ কৰে তেজপুৰৰ শিক্ষাবিদ সমাজ সংস্কাৰক হীৰা একাডেমীৰ সঞ্চালক হাফিজ মনচুৰ আহমেদে। এই সজাগতামূলক পদযাত্ৰাত ভোমোৰাগুৰি জিলা পৰিষদৰ সদস্য নুৰুল হক, সমাজসেৱক আব্দুল মতলেব বেপাৰী, অভ্যৰ্থনা সমিতিৰ সভাপতি ৰফিকুল ইছলাম, মুকছেদ আলী, আজিজুৰ ৰহমান, তফাজ্জুল ইছলাম, মুক্তাৰ হুছেইন, শোণিতপুৰ জিলা আমছুৰ সাংগঠনিক সম্পাদক ইনামূল হক, জুলহাচ আলী, ৰফিজ উদ্দিন, মুফতি মেৰাজুল হক, ছাইফৰ আলী, আজিজুল হক, মিৰাজ আলী, নাচিৰ উদ্দিন, হাজিম উদ্দিনৰ লগতে দাৰুল উলুম আশ্ৰাফিয়া মাদ্ৰাছা গোটলংৰ ছাত্ৰ শিক্ষক আৰু কেইবা শতাধিক ৰাইজ উপস্থিত থাকে। ইয়াৰ পিছতেই তেজপুৰৰ বিশিষ্ট চিকিৎসক ডাঃ মনোজ মিৰ্ধাই বিনামূলীয়া স্বাস্থ্য সেৱা শিবিৰৰ শুভ উদ্বোধন কৰে। বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ উদ্বোধনী অনুষ্ঠানত তেজপুৰৰ বিশিষ্ট সাংবাদিক চিৰাজ খান উপস্থিত থাকি এই পদক্ষেপক আদৰণি জনায়। ডাঃ মনোজ মিৰ্ধাই স্বাস্থ্য সেৱা শিবিৰ উদ্বোধন কৰি স্বাস্থ্য সম্বন্ধে বক্তব্য আগবঢ়াই সজাগতা বৃদ্ধিৰ প্ৰয়াস কৰে। ওৱাজ মেহফিলৰ লগত সংগতি ৰাখি আয়োজিত স্বাস্থ্য সেৱা শিবিৰত গোটলং গাঁৱৰ কেইবা শতাধিক ৰাইজে চিকিৎসা সেৱা গ্ৰহণ কৰে। দুপৰীয়া জোহৰৰ নামাজৰ পিছত বিশ্ব শান্তি আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ সদগতিৰ কামনাৰে সমূহীয়া দোৱা অনুষ্ঠিত। বিয়লি ২ বজাৰ পৰা দাৰুল উলুম আশ্ৰাফিয়া মাদ্ৰাছা গোটলং আৰু দাৰুল কোৰআন ফুলতলা মাদ্ৰাছাৰ ছাত্ৰ সকলৰ মাজত কোৰআন তিলাৱাত, জিকিৰ জাৰী, নাতে ৰছুল আৰু গজল আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। মগৰিবৰ নামাজৰ পিছত স্থানীয় আলিম ওলামা সকলে ওৱাজ নছিহত কৰাৰ পিছত সন্মানীয় অতিথি হিচাপে মুফতি ৰাজিদুৰ ৰহমান ঈশাআতিয়ে কোৰআন হাদিছ সম্পৰ্কে বক্তব্য আগবঢ়ায়। ইয়াৰ পিছতেই শ্ৰী ভূমি জিলাৰ আন্তৰ্জাতিক পুৰস্কাৰ লাভ কৰা খ্যাতি সম্পন্ন বিশিষ্ট ক্বাৰী আবুল কালাম মঞ্জুৰ আহমেদে সুমধুৰ কণ্ঠত কোৰআন তিলাৱাত কৰাৰ পিছত মুখ্য অতিথি হিচাপে বালিগাঁও হাইস্কুলৰ শিক্ষক মৌলানা নেকবৰ আলীয়ে কোৰআন হাদিছ সম্পৰ্কে বক্তব্য আগবঢ়াই বিশ্ব শান্তিৰ কামনাৰে সমূহীয়া দোৱা কৰে। সদৌ শেষত অভ্যৰ্থনা সমিতিৰ সভাপতি ৰফিকুল ইছলাম আৰু যুটীয়া সম্পাদক ছাইদুল ইছলামে উপস্থিত ৰাইজ, আমন্ত্ৰিত অতিথি আৰু ওৱাজ মেহফিলৰ অয়োজনত সহায় সহযোগিতা আগবঢ়োৱা সকলোকে ধন্যবাদ জ্ঞাপন কৰি শলাগৰ শৰাই আগবঢ়োৱাৰ পিছত শান্তিপূৰ্ণ ভাৱে শেষ হয় ওৱাজ মেহফিলৰ কাৰ্য্যসূচী।



জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত অংশগ্ৰহণ

# শিৱসাগৰত লাল বাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় প্ৰশাসন একাডেমীৰ সঞ্চালক শ্ৰীৰাম তৰণীকান্তি

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৩ ডিচেম্বৰ ঃ** লাল বাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় প্ৰশাসন একাডেমী (LBSNAA)ৰ সঞ্চালক, শ্ৰীৰাম তৰণীকান্তি আজি শিৱসাগৰ জিলাত উপস্থিত হৈ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন বৈঠকত অংশগ্ৰহণ কৰে। জিলা আয়ুক্ত আয়ুষ গৰ্গ প্ৰমুখ্যে বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপস্থিতিত আয়োজিত এই বৈঠকত সঞ্চালক গৰাকীয়ে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰে। নিজ বক্তব্যত সঞ্চালক গৰাকীয়ে উপস্থিত বিষয়াসকলক প্ৰশাসনিক পাৰদৰ্শিতা, ৰাজহুৱা সেৱা প্ৰদান, বিভাগীয় কাৰ্য সম্পাদন, জন-কল্যাণকামী আঁচনিসমূহৰ ৰূপায়ণ ইত্যাদি দিশ উন্নীত কৰাৰ দিশত বিভিন্ন অভিজ্ঞতাপুষ্ট পৰামৰ্শ আগবঢ়ায়। বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্য্যবাহী বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়া, জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত গীতালী দুৱৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক মইদুল ইছলাম, সহকাৰী আয়ুক্তত্ৰয় কে এন চন্দনা জাহ্নবী, শুভজিত খাউণ্ড আৰু গণেশ চন্দ্ৰ বড়ো প্ৰমুখ্যে বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

## নগাঁৱৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ চৰকাৰী আৱাসগৃহৰ

এক সুন্দৰ প্ৰাকৃতিক পৰিবেশত বৃটিছৰ আমোলত স্থাপন কৰা হৈছিল এই অসম আৰ্হিৰ বহুকেইটা কোঠা সংলগ্ন আবাস গৃহটো। আহল- বহল এই আবাস গৃহটোৰ আন্তঃগাঁথনি চালে চকুত লগা আছিল আৰু অতি সুন্দৰ প্ৰাকৃতিক পৰিবেশৰ মাজত। কলঙৰ বাকৰি নেহৰুবালিৰ দাতিত তথা নগাঁও জিলা অগপ কাৰ্যালয়ৰ কাষতে অৱস্থিত স্বাস্থ্য বিভাগৰ এই আবাস গৃহটো সুদীৰ্ঘ প্ৰায় ৩৮ বছৰৰো অধিক কাল অব্যৱহৃত হৈ পৰি আছে। আজি ৩৮ বছৰৰো অধিক কাল জিলাখনৰ কোনো এজন যুটীয়া সঞ্চালকে এই চৰকাৰী আবাস গৃহটোত বসবাস কৰি বিভাগীয় কাম কাজ পৰিচালনা কৰা কোনো এজন নগৰৰ সচেতন মহলৰ দৃষ্টি গোচৰ হোৱা নাই। ফলত চৰকাৰী আবাস গৃহটোৰ চৌপাশে হাবি জংঘলৰ মাজত আৰু চহৰৰ ইটোসিটো কামত অহা একাংশ লোকৰ লগতে নেহৰুবালীৰ দাতিত অস্থায়ী ভাবে শাকপাচলি ব্যৱসাৰ কৰা ব্যৱসায়ী সকলৰ মুকলিকৈ মলমূত্ৰৰ ত্যাগ কৰাৰ এখন যেন চৰণীয়া পথাৰলৈ হে পৰ্যবসিত হৈছে। সম্প্ৰতি প্ৰায় কেইবাকঠা মাটিৰে পৰিপূৰ্ণ চহৰৰ মাজমজিয়াত অৱস্থিত চৰকাৰী এই আবাসগৃহটো অতিকৈ জৰাজীৰ্ন হৈ পৰাৰ লগতে আবাসগৃহটোৰ সন্মুখতে বহুকেইখন মূল্যবান চৰকাৰী বাহনৰ উপৰি এম্বুলেঞ্চো ৰদ বৰষুণত বছৰ-বছৰ ধৰি পৰি ৰৈছে এক পৰিতক্ত্য তথা অচল অৱস্থাত। দীৰ্ঘ দিন ধৰি অব্যৱহৃত হৈ থকাৰ ফলত আবাস গৃহটোৰ চৌহদ হাবি জংঘলেৰে ভৰি পৰাৰ লগতে আবাসগৃহটোত বৰ্তমান বিভিন্ন বিষাক্ত সৰীসৃপ প্ৰাণীৰ বসতিস্থল হৈ পৰা দেখা গৈছে। আনহাতে সুদীৰ্ঘ দিন ধৰি অচল হৈ পৰি থকা এই গাড়ী সমূহ আজিলৈকে মেৰামতি বা অ'নৰো ব্যৱস্থা কৰা নাই। পৰিত্যক্ত এই আবাস গৃহটোৰ সংলগ্ন এটা সৰু ঘৰত এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল যদিও নিশা অকলশৰীয়াকৈ এই আবাস গৃহটোত এজন লোক থকাটোও বহু চিন্তাৰ বিষয় হৈ পৰিছে। পূৰ্বতে এই পৰিত্যক্ত আবাস গৃহটোত স্বাস্থ্য বিভাগে কেতবোৰ সামগ্ৰী জমা কৰি ৰাখিছিল যদিও আজি বছৰদিয়েক পূৰ্বৰ পৰা স্বাস্থ্য বিভাগে উক্ত পৰিতক্ত্য গৃহটোত কোনো সামগ্ৰী মজুত কৰি থোৱা দেখা নাই সচেতন মহলে। পকী উৱালেৰে সম্পূৰ্ণ আবাস গৃহটোৰ বাউন্দেৰী মাৰি থোৱা আছে যদিও আবাস গৃহটোৰ সন্মুখৰ গেটখনো আজি একবছৰৰ পৰা সম্পূৰ্ণ খোলা অৱস্থাতে পৰি আছে। বহুমূলীয়া এই চৰকাৰী আবাসগৃহটো পৰিচৰ্যা কৰি ৰাখিবলৈও এতিয়া যেন কোনো বিষয়া কৰ্মচাৰীৰ আহৰি নাই নগাঁৱৰ বিয়াগোম স্বাস্থ্য বিভাগৰ। নগাঁৱৰ সচেতন মহলে এক সুন্দৰ প্ৰাকৃতিক পৰিবেশত থকা চৰকাৰী আবাস গৃহটো মেৰামতি কৰি ব্যৱহাৰৰ উপযোগী কৰি তুলিবলৈ ৰাজ্যৰ জনপ্ৰিয় তথা কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক তথা স্বাস্থ্য মন্ত্ৰী অশোক সিংহলক আহবান জনাইছে।

## ভুৰাগাঁৱত ভয়ংকৰ পথ দুৰ্ঘটনা ঃ থিতাতে নিহত ১

হোৱাৰ বিপৰীতে দুজনক সংকটজনক অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰা হয়। থিতাতে নিহত হোৱা যুৱক জনৰ নাম বিশাল ৰবিদাস ( ২৪)। আনহাতে গুৰুতৰ ভাৱে আহত হৈ চিকিৎসাধীন হৈ থকা দুজনৰ নাম ক্ৰমে প্ৰেম বিমুখ ৰবিদাস আৰু ইকবাল হুছেইন। তিনিওজন যুৱকে মৰিগাঁও ভুৰাগাঁও গড়কাপ্তানী পথেৰে নিশা ১১ মান বজাত এএছ২১এম ৭১৩১ নম্বৰৰ বাইক খনেৰে তীব্ৰবেগে গৈ থকা অৱস্থাত সোনডোবা অঞ্চলৰ এটা কেকুৰিত নিয়ন্ত্ৰণ হেৰুৱাই এডাল গছত খুন্দা মাৰি চিটিকি পৰে। যাৰ ফলত এজন থিতাতে নিহত হয় আৰু আন দুজনো গুৰুতৰ ভাৱে আহত হয়। আতাই কেইজন যুৱকৰ ঘৰ লাহৰীঘাটৰ ধিঙ্গৰআটিত বুলি জানিব পৰা গৈছে।

## ৰাজধানীত ভাৰত-ৰাছিয়াৰ ভৱিষ্যতৰ মানচিত্ৰ প্ৰস্তুত

সময়ত ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ ৰাজ্যিক মন্ত্ৰী কীৰ্তি বৰ্ধন সিঙে পুটিনৰ সংগ দিয়ে। উল্লেখ্য যে, চাৰি বছৰৰ অন্তৰালৰ পিছত ভাৰতৰ মাটিত ভৰি দিয়া ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে বৃহস্পতিবাৰে সন্ধ্যা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। ২০২১ চনৰ ডিচেম্বৰ মাহত পুটিনে সৰ্বশেষ ভাৰত ভ্ৰমণ কৰিছিল। বৃহস্পতিবাৰে সন্ধ্যা পালম বিমানবন্দৰত পুটিনৰ বিমান অৱতৰণৰ লগে লগে প্ৰধানমন্ত্ৰী মোদীয়ে নিজে উপস্থিত থাকি তেওঁক আদৰণি জনায়। দুয়োগৰাকী নেতা একেখন বাহনেৰে প্ৰধানমন্ত্ৰীৰ লোক কল্যাণ মাৰ্গস্থিত বাসগৃহলৈ ৰাওনা হয়। তাতে মোদীয়ে পুটিনক ভগৱদ্‌গীতাৰ এখন সংস্কৰণ উপহাৰ দিয়ে। এক্স (পূৰ্বৰ টুইটাৰ)ত পোষ্ট কৰি প্ৰধানমন্ত্ৰী মোদীয়ে লিখে, "মোৰ বন্ধু ৰাষ্ট্ৰপতি পুটিনক ভাৰতলৈ আদৰণি জনাই আনন্দিত হৈছোঁ। আজি সন্ধিয়া আৰু কাইলৈ আমাৰ বৈঠকৰ বাবে আগ্ৰহী। ভাৰত-ৰাছিয়াৰ বন্ধুত্ব সময়ৰ পৰীক্ষামূলক বন্ধুত্ব যিয়ে আমাৰ জনসাধাৰণক বহুখিনি উপকৃত কৰিছে।" পুটিনৰ এই দুদিনীয়া ভাৰত ভ্ৰমণে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা, বাণিজ্য, শক্তি আৰু কূটনৈতিক সম্পৰ্কক আৰু দৃঢ় কৰাৰ লক্ষ্য লৈছে।

## ইণ্ডিগোৰ সংকট! দেশজুৰি শ শ বিমান বাতিল

ধৰি শ শ বিমান বাতিল হোৱাৰ ফলত দেশৰ প্ৰায় প্ৰতিখন ডাঙৰ বিমানবন্দৰতে যাত্ৰীৰ ভিৰ জমা হৈছে, উত্তেজনা বাঢ়িছে আৰু ক্ষোভৰ আগ্নিও দাউক দাউককৈ জ্বলিছে। শুকুৰবাৰে কেৱল এদিনতে ইণ্ডিগোৰ প্ৰায় ৭০০খন উৰাজাহাজৰ উৰণ বাতিল কৰা হৈছে। এয়া বিগত দুটা দশকৰ ভিতৰতকৈয়ো ভয়াবহ এটা দিন বুলি বিশেষজ্ঞসকলে মন্তব্য কৰিছে। ফলত লক্ষাধিক যাত্ৰী বিমানবন্দৰত আবদ্ধ হৈ পৰিছে, কাৰো হাতত খোৱা-লোৱা নাই, কাৰো ঠাইতে শুবলৈও ঠাই নাই। এই পৰিস্থিতিৰ মাজতে ইণ্ডিগো কৰ্তৃপক্ষই শুকুৰবাৰে ৰাতি এক আনুষ্ঠানিক বিবৃতিৰে সাধাৰণ জনতাৰ ওচৰত গভীৰ ক্ষমা বিচৰাৰ লগতে যাত্ৰীসকলক আশ্বস্ত কৰিছে যে সমস্যাৰ সমাধানৰ বাবে দিনে-নিশাই কাম চলি আছে। কোম্পানীটোৱে লিখিছে— "আপোনালোকে এতিয়া কি ধৰণৰ দুৰ্ভগীয়া পৰিস্থিতিৰ মাজেৰে পাৰ হৈছে, সেই কথা আমি গভীৰভাৱে উপলব্ধি কৰিছোঁ। এই সমগ্ৰ বিপৰ্যয়ৰ বাবে আমি নিঃশৰ্তভাৱে ক্ষমা বিচাৰিছোঁ।" ইণ্ডিগোৱে লগতে জনোৱা মতে, যিসকল যাত্ৰীৰ ৫ ডিচেম্বৰৰ পৰা ১৫ ডিচেম্বৰৰ ভিতৰত টিকট বুকিং কৰা আছিল আৰু বিমান বাতিল হৈছে, তেওঁলোকৰ সম্পূৰ্ণ টিকটৰ ধন ঘূৰাই দিয়া হ'ব। একে সময়তে যিসকল যাত্ৰীৰ বিমান বাতিল হৈছে, তেওঁলোকক স্পষ্টভাৱে বিমানবন্দৰলৈ নাহিবলৈ অনুৰোধ কৰিছে কোম্পানীটোৱে। কাৰণ বেছিভাগ বিমানবন্দৰতে ইতিমধ্যে অত্যধিক জনসমাগম হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈছে। ইফালে দিল্লীৰ ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰ কৰ্তৃপক্ষই শুকুৰবাৰে মাজনিশালৈকে ইণ্ডিগোৰ সকলো উৰাজাহাজৰ আগমন আৰু প্ৰস্থান সম্পূৰ্ণৰূপে বন্ধ ৰখাৰ নিৰ্দেশ জাৰি কৰিছে। মুম্বাই, বাংগালুৰু, হায়দৰাবাদ, কলকাতা আদি ডাঙৰ বিমানবন্দৰতো একেই পৰিস্থিতি বিৰাজ কৰিছে। এই সংকটৰ মূল কাৰণ হিচাপে বিশেষজ্ঞসকলে কয় যে ইণ্ডিগোৰ এটা বৃহৎ সংখ্যক এয়াৰক্ৰাফ্ট একেলগে গ্ৰাউণ্ডেড হৈ পৰা, ক্ৰুৰ অভাৱ আৰু কাৰিকৰী সমস্যাৰ ফলত এনে বিপৰ্যয় ঘটিছে। এই ঘটনাক ভাৰতীয় বিমান খণ্ডৰ ইতিহাসত "সৰ্ববৃহৎ অপাৰেচনেল ডিজাষ্টাৰ" বুলি আখ্যা দিছে অনেকে। বৰ্তমানলৈকে ইণ্ডিগোৱে এই সংকটৰ পৰা কেতিয়ালৈকে ওলাই আহিব পাৰিব সেয়া স্পষ্ট হোৱা নাই। কিন্তু যাত্ৰীসকলৰ ক্ষোভ আৰু অসহায়তা দিনকদিনে বাঢ়ি গৈ থকাৰ মাজতে বিমান সংস্থাটোৰ সুনামৰ ওপৰত গভীৰ আঘাত পৰাটো নিশ্চিত।

## অৰুণাচলত গ্ৰেপ্তাৰ এন এছ চি এনৰ কেডাৰ

বি আৰু ৩ চিআইবিৰ পৰা লাভ কৰা চোৰাংচোৰাৰ তথ্যৰ ভিত্তিত অৰুণাচল আৰক্ষীৰ সহযোগত অসম ৰাইফলছৰ (খুনছা বেটেলিয়ন) যৌথ অভিযানত গ্ৰেপ্তাৰ হোৱা কেডাৰজন এছ এছ কেপ্টেইন জেনলং ছুপং বুলি চিনাক্ত কৰা হৈছে। এই অভিযানৰ সময়ত নিৰাপত্তাৰক্ষীয়ে এটা পিষ্টল, এটা মেগাজিন, ছটা লাইভ ৰাউণ্ড, এটা ম'বাইল ফোন, আৰু এখন পান কাৰ্ড উদ্ধাৰ কৰে। অধিক জেৰা আৰু আইনী পদ্ধতিৰ বাবে কেডাৰজনক খুনচা আৰক্ষী থানাত ৰখা হৈছে। এই সন্দৰ্ভত নিৰাপত্তাৰক্ষীৰ এগৰাকী বিষয়াই কয় যে এই গ্ৰেপ্তাৰৰ দ্বাৰা ঐতিহাসিকভাৱে উগ্ৰপন্থী কাৰ্যকলাপ, ধন দাবী আৰু সাধাৰণ নাগৰিক আৰু ব্যৱসায়িক সম্প্ৰদায়ৰ প্ৰতি ভাবুকিৰ দ্বাৰা প্ৰভাৱিত অঞ্চল টিৰাপ-লংডিং-চাংলাং (টিএলচি) অঞ্চলত বিদ্ৰোহী নেটৱৰ্ক নিয়ন্ত্ৰণৰ বাবে নিৰাপত্তা ইউনিটসমূহৰ মাজত চলি থকা চোৰাংচোৰাগিৰি আৰু সহযোগিতাক প্ৰতিফলিত কৰিছে।

## গৌৰৱ গগৈক তীব্ৰ সমালোচনা মুখ্যমন্ত্ৰীৰ

শংকৰদেৱকো ভাল নাপায়। এই কাৰণেই তেওঁ এজন পাকিস্তানী এজেণ্ট বুলি প্ৰমাণিত হৈছে।'' মুখ্যমন্ত্ৰীৰ এই মন্তব্যই ৰাজনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তক লৈয়ো মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈক প্ৰশ্ন কৰিছে। তেওঁ কয়, "গৌৰৱ গগৈয়ে জুবিনক লৈ সস্তীয়া ৰাজনৈতিক প্ৰচাৰত নামিছে। তেওঁ কয় যে জুবিন গাৰ্গক ভাৰত ৰত্ন দিয়ক। কিন্তু ভাৰত ৰত্ন দিয়াটো ইমান সহজ নহয়। এইবাৰে অসম বিধানসভাত এখন প্ৰস্তাৱ গৃহীত কৰিব লাগিব। সেই প্ৰস্তাৱত জুবিনৰ অৱদানৰ কথা সবিশেষ উল্লেখ থাকিব লাগিব। কংগ্ৰেছ আৰু বিজেপি উভয়ে মিলি সেই প্ৰস্তাৱ আনিব লাগিব। মাথোঁ সংসদত ডেৰ মিনিট কথা কৈ বা টুইট কৰি ভাৰত ৰত্ন পোৱা নাযায়। কেৰালা বা অন্য ৰাজ্যৰ সাংসদে ডেৰ মিনিটত জুবিনৰ মহত্ত্ব বুজি নাপাব।" জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ অগ্ৰগতি সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে জনায় যে বিশেষ তদন্তকাৰী দলৰ (SIT) তদন্ত প্ৰায় সম্পূৰ্ণ হৈছে। প্ৰায় ৩, ৫০০ পৃষ্ঠাৰ অভিযোগনামা প্ৰস্তুত কৰা হৈছে আৰু আগন্তুক ৬ৰ পৰা ১২ ডিচেম্বৰৰ ভিতৰত আদালতত দাখিল কৰা হ'ব। মুখ্যমন্ত্ৰীৰ এই তীব্ৰ আক্ৰমণাত্মক মন্তব্যৰ পিছত কংগ্ৰেছৰ ফালৰ পৰাৰ প্ৰতিক্ৰিয়া এতিয়াও অহা নাই। কিন্তু ৰাজনৈতিক বিশ্লেষকসকলে কয় যে এই বাকযুদ্ধই অসমৰ অসমৰ ৰাজনীতিৰ উত্তাপ আৰু বঢ়াই তুলিব।

## চৰকাৰী বিভাগৰ কাম-কাজ আৰু উন্নয়নমূলক প্ৰকল্পৰ পৰিদৰ্শন

হোৱাৰ পিছতে সমিতিৰ সদস্যসকলে প্ৰথমে জিলাৰ আঠটা গুৰুত্বপূৰ্ণ চৰকাৰী বিভাগৰ মুৰব্বীৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত বিভাগসমূহৰ কাৰ্যকলাপ, আঁচনিৰ বাস্তৱায়নৰ অগ্ৰগতি আৰু জিলাৰ সন্মুখীন হৈ থকা সমস্যাসমূহৰ ওপৰত বিস্তৃত আলোচনা অনুষ্ঠিত হয়। তাৰ পিছতে দলটোৱে ধুবুৰী জিলাত চলি থকা বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ স্থূলী পৰিদৰ্শন কৰে। ৰাস্তা-দলং, শিক্ষানুষ্ঠান, স্বাস্থ্য কেন্দ্ৰকে ধৰি চৰকাৰী আঁচনিৰ কামৰ গুণগত মান আৰু সময়মতে সম্পূৰ্ণ হোৱা-নহোৱাৰ বিষয়ে নিজ চকুৰে পৰীক্ষা কৰে সমিতিৰ সদস্যসকলে। উল্লেখ্য যে, বিধানসভাৰ এই স্থায়ী সমিতিয়ে নিয়মীয়াকৈ জিলা পৰ্যায়ত পৰিদৰ্শন কৰি চৰকাৰী বিভাগৰ কাৰ্যকলাপৰ মূল্যায়ন কৰি থাকে আৰু প্ৰয়োজনীয় পৰামৰ্শ আৰু নিৰ্দেশনা আগবঢ়ায়। ধুবুৰীৰ এই পৰিদৰ্শনৰ পিছতো সমিতিয়ে আন কেইবাখনো জিলালৈ যোৱাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে।

## ড° ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যক তেজপুৰ বিশ্ববিদ্যালয়ৰ

আন্দোলন প্ৰতিয়ন ঘোষণা কৰিছে। কেম্পাছত দীৰ্ঘদিনৰ পিছত শান্তিৰ বতৰ বিৰাজ কৰিছে যদিও ছাত্ৰসকলে সতৰ্ক কৰি দিছে যে, উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ ন্যায়িক তদন্ত নহ'লে পুনৰ আন্দোলন আৰম্ভ হ'ব। উল্লেখ্য যে, বিগত চেপ্টেম্বৰ মাহৰ পৰাই তেজপুৰ বিশ্ববিদ্যালয়ত উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে দুৰ্নীতি, নিয়োগত অনিয়ম, আৰ্থিক কেলেংকাৰী আৰু স্বেচ্ছাচাৰিতাৰ অভিযোগ উত্থাপন হৈ আহিছিল। বিশেষকৈ তেওঁৰ অতি ঘনিষ্ঠ বুলি পৰিচিত অধ্যাপিকা জয়া চক্ৰৱৰ্তীক সম-উপাচাৰ্য (প্ৰ-ভাইচ-চেন্সেলৰ) হিচাপে নিযুক্তি দিয়াৰ সিদ্ধান্তই ছাত্ৰ-শিক্ষক সমাজৰ চৰম খং উত্থাপিত কৰিছিল। এই নিযুক্তিৰ বিৰুদ্ধে প্ৰতিবাদত বিশ্ববিদ্যালয় চৌহদত টায়াৰ জ্বলোৱাৰ দৰে তীব্ৰ কাৰ্যসূচীও গ্ৰহণ কৰা হৈছিল। আন্দোলনকাৰীসকলে দাবী কৰিছিল যে, উপাচাৰ্যগৰাকীয়ে বিশ্ববিদ্যালয়ৰ সংবিধানক আওকাণ কৰি এককভাৱে এনে সিদ্ধান্ত লৈছিল। বিষয়টোৱে ৰাজ্যিক ৰাজনীতিৰ লগতে লোকসভাতো স্থান পাইছিল। অৱশেষত কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ হস্তক্ষেপত বৃহস্পতিবাৰে নিশা এক্‌জিকিউটিভ কাউন্সিলৰ বৈঠকত উপাচাৰ্য শম্ভুনাথ সিঙক সকলো ক্ষমতাৰ পৰা অব্যাহতি দি পূৰ্বৰ উপাচাৰ্য তথা জ্যেষ্ঠতম অধ্যাপক ড০ ধ্ৰুৱ কুমাৰ ভট্টাচাৰ্যক ভাৰপ্ৰাপ্ত উপাচাৰ্যৰ দায়িত্ব অৰ্পণ কৰা হয়। নতুন ভাৰপ্ৰাপ্ত উপাচাৰ্য ড০ ভট্টাচাৰ্যই দায়িত্ব গ্ৰহণ কৰি কয়, "মই বিশ্ববিদ্যালয়ৰ সংবিধান আৰু নিয়মাৱলীৰ প্ৰতি শতভাগ সন্মান ৰাখি কাম কৰিম। অতীতকৈ প্ৰথম কাম হ'ব সকলো পক্ষৰ সৈতে আলোচনা কৰি বিশ্ববিদ্যালয়ৰ স্বাভাৱিক পৰিৱেশ ঘূৰাই অনা।" ছাত্ৰনেতৃত্বই এই পৰিৱৰ্তনক স্বাগতম জনাই কয় যে, ৭৬ দিনৰ অহিংস আন্দোলনে প্ৰমাণ কৰিলে যে, সংগঠিত জনমতৰ আগত কোনো স্বেচ্ছাচাৰী শক্তি টিকি থাকিব নোৱাৰে। একেদৰে শিক্ষক সংগঠনসমূহেও এই সিদ্ধান্তক "বিশ্ববিদ্যালয়ৰ গণতান্ত্ৰিক পৰম্পৰাৰ জয়" বুলি অভিহিত কৰিছে। এতিয়া সকলোৰে দৃষ্টি কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ৰ ফালে। উপাচাৰ্য শম্ভুনাথ সিঙৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ উচ্চপৰ্যায়ৰ তদন্ত হ'ব নে নহয়, সেয়াই হ'ব পৰৱৰ্তী পৰীক্ষা।

## জইছে গঠন কৰিলে মহিলা জেহাদী ব্ৰিগেড 'জামাত-উল

সোঁতত অনাৰ উদ্দেশ্যে জইছে গঠন কৰিছে মহিলা ব্ৰিগেড 'জামাত—উল—মোমিনা'। এই ব্ৰিগেডৰ নেতৃত্বৰ দায়িত্ব দিয়া হৈছে সংগঠনৰ মুৰব্বী মাছুদ আজহাৰৰ নিজৰ ভনীয়েক ছাদিয়া আজহাৰক। উল্লেখ্য, অপাৰেচন সিন্দূৰত ছাদিয়াৰ স্বামী ইউছুফ আজহাৰ নিহত হৈছিল। যোৱা ৮ অক্টোবৰত বাহাৱালপুৰৰ মাৰ্কাজ ওচমান-ও-আলীত মাছুদ আজহাৰে এই মহিলা ব্ৰিগেড গঠনৰ আনুষ্ঠানিক ঘোষণা কৰে। তাৰ মাত্ৰ এসপ্তাহৰ পাছতে ১৯ অক্টোবৰত পাক অধিকৃত কাশ্মীৰৰ ৰাৱালকোটত 'দুখতাৰান-ই-ইছলাম' নামৰ এটা অনুষ্ঠানৰ জৰিয়তে সদস্যভুক্তি আৰম্ভ কৰে। আচৰিত কথা যে ঘোষণাৰ মাত্ৰ আঠ সপ্তাহৰ ভিতৰতে পাঁচ হাজাৰৰো অধিক মহিলা-যুৱতী এই ব্ৰিগেডত যোগদান কৰাৰ দাবী উত্থাপন কৰিছে মাছুদ আজহাৰে নিজেই। সামাজিক মাধ্যমত দিয়া এক পোষ্টত তেওঁ লিখিছে, "আল্লাৰ কৃপাত কেইসপ্তাহমানৰ ভিতৰতে পাঁচ হাজাৰৰো অধিক মহিলাই জামাত—উল—মোমিনাত যোগদান কৰিছে আৰু তেওঁলোকৰ মানসিকতাৰ আমূল পৰিৱৰ্তন ঘটিছে।" জইছে ঘোষণা কৰা অনুসৰি এই মহিলা ব্ৰিগেডৰ প্ৰতিখন জিলাত এগৰাকী মুস্তাজিমা (ব্যৱস্থাপক) নিযুক্ত কৰা হ'ব। সদস্য হ'বলৈ মাত্ৰ ৫০০ টকাৰ 'অনুদান' দি অনলাইনত নামভৰ্তি কৰিব পাৰি আৰু তাৰ পিছতেই আৰম্ভ হয় ৪০ মিনিটীয়া জেহাদী পাঠ। সমগ্ৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰা হৈছে পাক অধিকৃত কাশ্মীৰৰ ৰাৱালকোটৰ পৰা। প্ৰশিক্ষণৰ ক্ষেত্ৰতো কোনো কাৰ্পণ্য নাই। পুৰুষ সন্ত্ৰাসবাদীৰ দৰেই মহিলাসকলকো বাধ্যতামূলকভাৱে ১৫ দিনীয়া 'দৌৰা-ই-তাৰবিয়াত' আৰু পিছলৈ 'দৌৰা-ই-আয়াত-উল-নিশা' নামৰ উন্নত প্ৰশিক্ষণ দিয়া হ'ব। দ্বিতীয় পৰ্যায়ৰ এই প্ৰশিক্ষণ বাহাৱালপুৰৰ মাৰ্কাজতেই অনুষ্ঠিত হ'ব। সদস্যভুক্তিৰ বাবে কঠোৰ নিয়মো জাৰি কৰা হৈছে — যোগদানকাৰী মহিলাই স্বামী বা পৰিয়ালৰ বাহিৰে আন কোনো পুৰুষৰ সৈতে ফোন বা অন্য কোনো মাধ্যমেৰে যোগাযোগ ৰাখিব নোৱাৰিব। দিল্লীৰ শেহতীয়া বিস্ফোৰণত জইছৰ নাম উঠি অহাৰ পিছত এই মহিলা ব্ৰিগেড গঠনে গোৱেন্দা সংস্থাৰ মূৰত হাত দিয়াইছে। ফৰিদাবাদৰ পৰা গ্ৰেপ্তাৰ হোৱা জইছৰ সৈতে জড়িত চিকিৎসক ডাঃ শ্বাহিন শ্বাইদকে ধৰি একাধিক গ্ৰেপ্তাৰৰ পিছতো সংগঠনটোৱে অনলাইনৰ জৰিয়তে এনেদৰে মহিলাসকলক জেহাদৰ পথত অনাৰ পৰিকল্পনা ভাৰতৰ সুৰক্ষাৰ বাবে নতুন প্ৰত্যাহ্বান হিচাপে দেখা দিছে।

## পুটিনলৈ 'গীতা' উপহাৰ

কৰি তোলে। দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হৈছে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিন। বৃহস্পতিবাৰে সন্ধিয়াৰ ভাগত দিল্লীৰ পালাম বিমানবন্দৰত পদাৰ্পণ কৰা পুটিনক আদৰণি জনায় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজেৰে মোদী আৰু পুটিন একেখন বাহনতে বহি প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসগৃহ অভিমুখে ৰাওনা হয়। তাতেই তেওঁৰ নিশাৰ আহাৰ গ্ৰহণ কৰে আৰু নিশাটো প্ৰধানমন্ত্ৰী বাসগৃহতে যাপন কৰে। পুটিনক গীতা প্ৰদানৰ সেই বিৰল মুহূৰ্তৰ দৃশ্য X-ত শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে লিখিছে, "ৰাষ্ট্ৰপতি পুটিনক ৰাছিয়ান ভাষাত শ্ৰীমদভাগৱত গীতাৰ প্ৰতিলিপি উপহাৰ প্ৰদান কৰো। গীতাৰ শিক্ষাই বিশ্বৰ লাখ লাখ লোকক অনুপ্ৰাণিত কৰে।" বৃহস্পতিবাৰে সন্ধিয়া পালাম বিমান বন্দৰত পুটিনক আদৰণি জনোৱাৰ সময়ত মোদীৰ কণ্ঠত উচ্ছ্বাস স্পষ্ট হৈ পৰিছিল। তেওঁ কয়, "বন্ধু পুটিনক ভাৰতলৈ স্বাগতম জনাই মই অতিশয় আনন্দিত। আজি আৰু কাইলৈ তেওঁৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠক মিলিত হম। ভাৰত-ৰাছিয়াৰ বন্ধুত্ব যুগ যুগ ধৰি অটুট আছে আৰু যে দুয়োখন দেশৰ নাগৰিকক উপকৃত কৰিছে।"

## বিধায়ক সুৰেণ ফুকনৰ বিৰুদ্ধে ধন দাবীৰ অভিযোগ 'অসম মালা'

প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰী ভাস্কৰ গোস্বামীৰ। এনে অভিযোগেৰে গোস্বামীয়ে লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তা (পথ) ক প্ৰদান কৰা এক অভিযোগ পত্ৰত উল্লেখ কৰে যে বিধায়কগৰাকীয়ে তেওঁৰ সহযোগীসকলৰ স'তে তেওঁলোকৰ নিৰ্মাণকাৰ্য বলপূৰ্বকভাৱে বন্ধ কৰি দিছে, চাইটৰ কৰ্মচাৰীসকলক ভাবুকি প্ৰদান কৰিছে, আনকি তেওঁলোকৰ যান-বাহন আৰু যন্ত্ৰপাতিৰ সঞ্চালনতো ব্যাপক বাধা সৃষ্টি কৰিছে। বিধায়কগৰাকীয়ে তৃতীয়বাৰৰ বাবে সম্পূৰ্ণৰূপে কাম বন্ধ কৰি দিছে, এক অত্যন্ত শত্ৰুতাপূৰ্ণ আৰু নিৰাপত্তাহীন পৰিৱেশৰ সৃষ্টি কৰিছে আৰু ঠিকাদাৰৰ দলটোৱে নিজৰ কৰ্তব্য পালন কৰাত জটিলতা আনিছে। শেহতীয়াকৈ ছাইটটোত সংঘটিত এক দুৰ্ঘটনাক অজুহাত হিচাপে লৈ যোৱা ২২ অক্টোবৰ, ২০২৫ তাৰিখে বিধায়ক ফুকনে পুনৰবাৰ কামত বাধাৰ সৃষ্টি কৰাৰ উপৰিও প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকলৰ কামত হস্তক্ষেপ আৰু হেঁচা প্ৰয়োগ কৰে। ইতিমধ্যে ঠিকাদাৰী প্ৰতিষ্ঠানটোৰ আৰু ভুক্তভোগীৰ পৰিয়ালৰ মাজত পাৰস্পৰিক সহমত আৰু ন্যায্য ক্ষতিপূৰণৰ জৰিয়তে বিষয়টো সৌহাৰ্দ্যপূৰ্ণভাৱে নিষ্পত্তি কৰা হৈছে বুলিও উক্ত অভিযোগ পত্ৰত কোৱা হৈছে। কিন্তু বিধায়ক সুৰেন ফুকনে তেওঁৰ ব্যক্তিগত আৰু আৰ্থিক লাভালাভৰ স্বাৰ্থত নিজৰ বিধায়ক পদমৰ্যাদাৰ অপব্যৱহাৰ কৰি চৰকাৰী আঁচনিৰ কামত ইচ্ছাকৃতভাৱে বাধাৰ সৃষ্টি কৰাৰ লগতে এইক্ষেত্ৰত তেওঁ মুকলিকৈও ভাবুকি দিয়ে যে যেতিয়ালৈকে তেওঁ দাবী কৰা ধন পৰিশোধ নকৰে তেতিয়ালৈকে প্ৰতিষ্ঠানটোৰ কাম চলিবলৈ নিদিয়ে। এনে অহৰহ হস্তক্ষেপ আৰু ভয়-ভাবুকিয়ে প্ৰতিষ্ঠানটোৰ কৰ্মপ্ৰবাহত ব্যাঘাত জন্মাই তেওঁলোকৰ মনোবল হ্ৰাস কৰি তুলিছে। বিধায়কগৰাকীৰ এনে কাৰ্যত প্ৰতিষ্ঠানটোৰ শ্ৰমিক-কৰ্মচাৰীসকল একপ্ৰকাৰ ভীতিগ্ৰস্ত হৈ পৰাৰ লগতে তেওঁলোকৰ সুৰক্ষা প্ৰদানৰ লগতে সুৰক্ষাৰ নিশ্চয়তা প্ৰদান নকৰালৈকে প্ৰতিষ্ঠানটোৰ ঠিকাদাৰ আৰু শ্ৰমিক-কৰ্মচাৰীসকল কাম কৰিবলৈ নাৰাজ হৈ পৰাৰ লগতে এনে অহৰহ ভয়-ভাবুকি আৰু হস্তক্ষেপৰ বাবেই ইতিমধ্যে চাৰিজন অভিযন্তাক অন্য ঠাইলৈ সলনি কৰিবলগীয়া হৈছে বুলিও অভিযোগ পত্ৰত স্পষ্টকৈ উল্লেখ কৰে। লগতে উল্লেখ কৰে যে একমাত্ৰ পানী টেংকাৰৰ বাদে আনসমূহ যান-বাহন, যন্ত্ৰ-পাতি চলাবলৈ নিদিয়াৰ ফলত বিভাগীয় হস্তক্ষেপ অবিহনে প্ৰতিষ্ঠানটোৱে পথ নিৰ্মাণৰ কাম আগবঢ়াই নিয়াটো কোনোপধ্যেই সম্ভৱ নহয়। গুৰুত্বপূৰ্ণ কথা এয়ে যে বিভাগীয় কৰ্তৃপক্ষক এই সন্দৰ্ভত বাৰম্বাৰ অৱগত কৰাৰ পিছতো এইপৰ্যন্ত কোনো ইতিবাচক বা ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা নাই। স্থানীয় জনসাধাৰণে কোম্পানীটোৱে ইচ্ছাকৃতভাৱে প্ৰকল্পটোত কামৰ অগ্ৰগতিত বিলম্ব কৰিছে বুলি ভাবিবলৈ বাধ্য হৈছে বুলিও উল্লেখ কৰাৰ লগতে চৰকাৰী কামত বিধায়কগৰাকীৰ এনে বে-আইনী হস্তক্ষেপৰ বিৰুদ্ধে বিভাগীয় কৰ্তৃপক্ষই যদি তাৎক্ষণিকভাৱে কোনো ব্যৱস্থা গ্ৰহণ নকৰে, তেন্তে বিষয়টো উদ্ধতম কৰ্তৃপক্ষ, চৰকাৰৰ উপৰিও সংবাদ মাধ্যমৰ দৃষ্টিগোচৰ কৰাৰ বাহিৰে আন কোনো বিকল্প নাথাকিব বুলিও স্পষ্ট কৰি দিয়ে। প্ৰতিষ্ঠানটোৰ স্বত্বাধিকাৰ গৰাকীয়ে উক্ত অভিযোগ পত্ৰৰ প্ৰতিলিপি লোকনিৰ্মাণ বিভাগৰ মুখ্য অভিযন্তাক প্ৰদান কৰাৰ উপৰিও ইয়াৰ প্ৰতিলিপি মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব, আয়ুক্ত আৰু বিশেষ সচিব, তিনিচুকীয়া জিলা আয়ুক্ত, লোকনিৰ্মাণ বিভাগৰ ইষ্টাৰ্ন জ'নৰ মুখ্য অভিযন্তা, বিভাগৰ তিনিচুকীয়া ৰ'ড চাৰ্কোলৰ অধীক্ষক অভিযন্তা আৰু বিভাগৰ মাৰ্ঘেৰিটা ৰ'ড ডিভিজনৰ কাৰ্যবাহী অভিযন্তাকো প্ৰদান কৰিছে। বিতৰ্কই লগ নেৰা তথা সততে বিতৰ্কত সোমাই পৰা বিজেপিৰ বিধায়ক সুৰেন ফুকনে উক্ত অভিযোগৰ সন্দৰ্ভত কি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে সেয়া লক্ষণীয় হ'ব যদিও নিৰ্বাচনলৈ মাজত মাথোঁ কেইটামান মাহ বাকী থকা অৱস্থাত শাসকীয় দলটোৰ এগৰাকী জ্যেষ্ঠ বিধায়কৰ বিৰুদ্ধে পথ নিৰ্মাণত নিয়োজিত এটা ঠিকাদাৰী প্ৰতিষ্ঠানে মুকলিকৈ লিখিত অভিযোগ দাখিল কৰাক লৈ চাই '২৬ৰ নিৰ্বাচনত ডিগবৈ সমষ্টিত যে এক ৰাজনৈতিক পট পৰিৱৰ্তন ঘটিব সেয়া নুই কৰিব নোৱাৰি।

## এবছৰৰ ভিতৰত দেশৰ সকলো টোল প্লাজাত বাধা উঠাই দিয়াৰ

আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে এটা যুগান্তকাৰী ঘোষণাত কয় যে, অহা এবছৰৰ ভিতৰত সমগ্ৰ দেশতে টোল প্লাজাৰ বাখনৰ 'বাধা' (boom barrier) সম্পূৰ্ণৰূপে উঠাই দিয়া হ'ব। ইয়াৰ পিছত গাড়ী ৰখোৱাৰ প্ৰয়োজন নোহোৱাকৈয়ে টোলৰ ধন স্বয়ংক্ৰিয়ভাৱে কৰ্তন হ'ব। মন্ত্ৰীগৰাকীয়ে জনোৱা মতে, এই নতুন ব্যৱস্থা ইতিমধ্যে দেশৰ প্ৰায় ১০খনকৈ টোল প্লাজাত সফলতাৰে পৰীক্ষামূলকভাৱে কাৰ্যকৰী কৰা হৈছে। আগন্তুক ১২ মাহৰ ভিতৰত ইয়াক সমগ্ৰ ৰাষ্ট্ৰীয় ঘাইপথ নেটৱৰ্কলৈ সম্প্ৰসাৰণ কৰা হ'ব। ভাৰতীয় ৰাষ্ট্ৰীয় পেমেণ্ট কৰ্প'ৰেশ্যন (NPCI)ৰ দ্বাৰা বিকশিত FASTag-ভিত্তিক উন্নত GNSS (Global Navigation Satellite System) আৰু RFID প্ৰযুক্তিৰ সহায়ত এই কাম কৰা হ'ব। প্ৰতিখন বাহনৰ উইণ্ডস্ক্ৰীণত এটা স্থায়ী RFID টেগ বা GNSS ডিভাইচ স্থাপন কৰা হ'ব। গাড়ীখনে টোল প'-জাৰ মাজেৰে পাৰ হোৱাৰ লগে লগে চেটেলাইটৰ জৰিয়তে দূৰত্ব গণনা কৰি বেংক একাউণ্ট বা FASTag ৱালেটৰ পৰা টোলৰ ধন তৎক্ষণাৎ কৰ্তন কৰা হ'ব। টোল গেটত কোনো বাধা নথকা নাথাকিব বাবে গাড়ীয়ে নিৰৱচ্ছিন্নভাৱে ১০০-১২০ কিলোমিটাৰ বেগতো পাৰ হৈ যাব পাৰিব। গাডকাৰীয়ে কয়, "আজিৰ দিনত দেশত ৪৫০০খনতকৈও অধিক ঘাইপথ প্ৰকল্পত প্ৰায় ১০ লাখ কোটি টকাৰ কাম চলি আছে। এই নতুন ব্যৱস্থাই যান-জঁট কমোৱাৰ লগতে প্ৰতি বছৰে হাজাৰ হাজাৰ কোটি লিটাৰ ইন্ধনৰ সাশ্ৰয় কৰিব আৰু প্ৰদূষণো হ্ৰাস কৰিব।" ২০২৬ চনৰ ডিচেম্বৰলৈকে দেশৰ সকলো ৰাষ্ট্ৰীয় ঘাইপথত এই ব্যৱস্থা কাৰ্যকৰী হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশ্বাস দিছে। ইতিমধ্যে দিল্লী-মুম্বাই এক্সপ্ৰেছৱেৰ দৰে কেইবাখনো প্ৰকল্পত এই প্ৰযুক্তিৰ সফল পৰীক্ষা চলি আছে। এই ঘোষণাক লৈ পৰিবহণ খণ্ডৰ লগতে সাধাৰণ যাত্ৰীৰ মাজতো উৎসাহৰ সঞ্চাৰ হৈছে। বহুতে এইক স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো ঘাইপথত "মুক্ত যাত্ৰা"ৰ আৰম্ভণি বুলি অভিহিত কৰিছে।

## উমৰাংছ'ত মুকলি হ'ল অসমৰ অন্যতম আটকধুনীয়া

নিউজিলেণ্ড, দক্ষিণ আফ্ৰিকা আৰু ইংলেণ্ডৰ আধুনিক ষ্টেডিয়ামৰ আৰ্হিত নিৰ্মাণ কৰা হৈছে। একেলগে ১৫ হাজাৰ দৰ্শকৰ বহাৰ ব্যৱস্থা থকা এই ক্ৰীড়াঙ্গনত ৫খনকৈ উচ্চমানৰ অনুশীলন পিচৰ লগতে খেলুৱৈৰ বাবে আন্তৰ্জাতিক মানৰ ড্ৰেছিং ৰুম, জিমনেচিয়াম, ফিজিঅ'থেৰাপী কেন্দ্ৰ, মিডিয়া চেণ্টাৰকে আদি কৰি সকলো অত্যাধুনিক সুবিধা উপলব্ধ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে বিশেষকৈ পেভিলিয়নটো ডিমা হাছাওৰ বীৰ স্বাধীনতা সংগ্ৰামী চেঙিয়া তুলাৰাম সেনাপতিৰ নামেৰে উৎসৰ্গিত কৰি কয়, "আজিৰ এই দিনটোৱে অসমৰ ক্ৰিকেট ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ ৰ'ব। পাহাৰীয়া জিলাত এনে এখন বিশ্বমানৰ ষ্টেডিয়াম নিৰ্মাণে অঞ্চলটোৰ যুৱচামৰ সপোনক ডেউকা দিব আৰু অসমক ক্ৰিকেটৰ নতুন প্ৰতিভাৰ খনি হিচাপে পৰিগণিত কৰাব।" উদ্বোধনী অনুষ্ঠানত BCCIৰ সচিব দেৱজিৎ শইকীয়া, ৰাজ্যৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচা, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, অসম ক্ৰিকেট সংস্থাৰ সভাপতি তৰংগ গগৈ, সচিব সনাতন দাসকে আদি কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। জিলাৰ বিভিন্ন বিদ্যালয়ৰ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজে উৎসাহেৰে অনুষ্ঠানত অংশগ্ৰহণ কৰি পৰিৱেশ উষ্ম কৰি তোলে। ডিমা হাছাও জিলাৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অসম ক্ৰিকেট সংস্থাৰ নিজা ষ্টেডিয়াম পোৱাৰ ফলত অঞ্চলটোৰ ক্ৰীড়া পৰিকাঠামোৰ লগতে পৰ্যটনৰো নতুন গতি লাভ কৰিব বুলি আশা কৰা হৈছে। উমৰাংছ'ৰ এই সেউজীয়া ক্ৰিকেটীয়া স্বৰ্গত ভৱিষ্যতে ৰঞ্জীট্ৰফীৰ দৰে ডাঙৰ প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰো সম্ভাৱনা উজ্জ্বল হৈ উঠিছে।

## ১৫ ডিচেম্বৰৰ পৰা খহনীয়া ৰোধত নামিব সত্ৰাধিকাৰ

জীয়াই ৰাখি ইয়াৰ গাঁও সমূহে নাম পৰিৱৰ্তন নকৰি পূৰ্বৰ নামেই ইয়াত ধৰি ৰাখিছে। সেইফালৰ পৰা ঐতিহাসিক ভকতচাপৰি অঞ্চলটো ৰক্ষা কৰা আমাৰ নৈতিক দায়িত্ব। আজি মাজুলীৰ ভকতচাপৰিত অব্যাহত থকা খহনীয়া অংশ পৰিদৰ্শন কৰি আউনীআটী সত্ৰৰ অধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামীয়ে এনেদৰে কয়। তেওঁ আৰু কয় কোনোবাই হয়টো ক'ব পাৰে যে ভকতচাপৰিতহে খহনীয়া লাগিছে মাজুলীৰ মূল ভূখণ্ডত লগা নাই সেয়া ভুল ভবা হ'ব। কাৰণ ভকতচাপৰি মাজুলীৰ অন্যতম এক মূল ভূখণ্ড আৰু ভকতচাপৰি যোৱা মানে ব্ৰহ্মপুত্ৰৰ পানী ধাৰ সোমাই মাজুলীৰ ২০-২৫খন সত্ৰৰ লগতে ৩৫-৪০খন গাঁও নিঃশেষ হ'ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় আউনীআটী সত্ৰৰ চতুৰ্দশ সত্ৰাধিকাৰ হেমচন্দ্ৰ দেৱ গোঁসাই ঈশ্বৰৰ দিনতেই প্ৰতিষ্ঠিত শিৱ মন্দিৰটোও ইতিমধ্যে জাহ গ'ল বুলি উল্লেখ এইক্ষেত্ৰত তেওঁ চৰকাৰক পোনপটীয়া দোষাৰোপ নকৰি চৰকাৰে যথেষ্ট আঁচনি লৈ পুজি দিছে আৰু সেই পুজিৰ সৎব্যৱহাৰ হোৱাত বিভাগীয় কৰ্তৃপক্ষৰ ক'ৰবাত যে কৃপণালি হৈছে সেয়া তেওঁ প্ৰকাৰন্তৰে উল্লেখ কৰে। তেওঁ অসমৰ কৰ্মদক্ষ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক বিনীত আহ্বান জনাই কয় যে যিকোনো ত্যাগৰ বিনিময়ত ভকতচাপৰিৰ খড়াখহনীয়াটো প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰক। মুখ্যমন্ত্ৰীয়ে বিষয়টো গুৰুত্ব সহকাৰে লৈ বিভাগীয় ভাৱে তৎপৰতা গ্ৰহণ কৰক। কাৰণ অঞ্চলটোৰ ৰাইজে চপৰা চপৰে দৈনিক নিজৰ ঘৰ ভেটি, কৃষি ভূমি হেৰুৱাই অসহায় হৈ পৰিছে। যাৰ পৰিপ্ৰেক্ষিতত ৰাইজে বিভাগীয় ভাৱে ব্যৱস্থা নোহোৱা দেখিলে ৰাইজ বৈ থাকিব নোৱাৰে। কাৰণ ভকতচাপৰিৰ বুকুলৈ নৈখন সোমাই যোৱা মানে ভয়ংকৰ এক বিপদৰ মুখলৈ ভকতচাপৰিয়েই নহয় সমগ্ৰ মাজুলীবাসী গুচি যাব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয় যে কেইটামান দিন বিভাগীয় তৎপৰতাৰ বাবে বাট চোৱা হ'ব আৰু যদি সেই তৎপৰতা দেখা পোৱা নাযায় তেন্তে ৰাইজ তথা সত্ৰই নিজাববীয়াকৈ খহনীয়া প্ৰতিৰোধত লগাৰ বাহিৰে একো উপায় নাথাকিব বুলি তেওঁ উল্লেখ কৰি তেওঁ মুখ্যমন্ত্ৰী গৰাকীক ইয়াৰ পূৰ্বেই বিভাগৰ যোগেদি খহনীয়া ৰোধৰ কাৰ্য্যকৰী পদক্ষেপ ল'বলৈ আহ্বান জনায়। ইফালে ২০০৪ চনৰ পৰা ব্ৰহ্মপুত্ৰ ব'ৰ্ডে মাজুলীৰ সুৰক্ষাৰ নামত বিশেষকৈ যি পাৰ্কুপাইনৰ আঁচনি লৈ আহিছে ই যে কেতিয়াও ফলপ্ৰসূ আঁচনি নহয় সেয়া সত্ৰাধিকাৰ গৰাকীয়ে পুনৰবাৰ উল্লেখ কৰি মেগা জিঅ বেগ বা উত্তৰ গুৱাহাটীৰ মনিকৰ্নেশ্বৰৰ পৰা টিলিং গাঁৱলৈকে দিয়া শৈল বান্ধৰ দৰেই মাজুলীতো সেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ মুখ্যমন্ত্ৰীক আহ্বান জনাই আৰু পৰীক্ষামূলক ভাৱে হ'লেও উক্ত পদ্ধতি ভকতচাপৰিত প্ৰয়োগ কৰিবলৈ তেওঁ আহ্বান জনায়। ইফালে আগন্তুক ১৩-১৪ ডিচেম্বৰৰ ভিতৰত অঞ্চলৰ খহনীয়া ৰোধৰ কোনো বাস্তৱ পদক্ষেপ দেখা নাপালে ৰাইজে ১৫ ডিচেম্বৰৰ পৰা ৰাইজে নিজেই জিঅ বেগেৰে খহনীয়া ৰোধত লাগিব আৰু সত্ৰাধিকাৰ গৰাকীয়েও ৰাইজৰ লগত উক্ত কামত সহযোগিতা আগবঢ়াব বুলি উল্লেখ কৰে। ইফালে ভকতচাপৰিৰ গৰুখুঁটি স্থিত ১৯৭০ চনতেই ঐতিহ্যমণ্ডিত শ্ৰী শ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ভাগৱত ভাস্কৰ হেমচন্দ্ৰ দেৱ গোস্বামীৰ আজ্ঞানুসাৰে প্ৰতিষ্ঠা কৰা ভোলা মন্দিৰটো যোৱা ৩ নৱেম্বৰত নদীৰ বুকুত জাহ যোৱাৰ পিছত উক্ত স্থানৰ খহনীয়া অংশ পৰিদৰ্শন কৰি সত্ৰাধিকাৰ গৰাকীয়ে আজি ব্ৰহ্মপুত্ৰক সন্তুষ্ট কৰাৰ অৰ্থে পৰম্পৰা অনুসৰি নদীৰ গড়াৰ তললৈ নামি ব্ৰহ্মপুত্ৰৰ জল স্পৰ্শ কৰি স্বৰ্ণ দানেৰে শ্ৰদ্ধা নিবেদন কৰে। উল্লেখযোগ্য যে যোৱা জুলাই মাহত ভকতচাপৰি অঞ্চলত খহনীয়া প্ৰতিৰোধৰ বাবে পাৰ্কুপাইন আচনি ৰূপায়ণ কৰিও কাৰ্যতঃ বিফল হোৱাৰ সময়তে মাজুলীৰ বিধায়ক ভুবন গাম, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকৰ উপস্থিতত জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা সহ জল সম্পদ বিভাগৰ বিষয়া অভিযন্তাৰ দলে স্থানীয় ৰাইজৰ উপস্থিতত আউনীআটী সত্ৰৰ অধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীৰ সৈতে অঞ্চলটোক সুৰক্ষা প্ৰদান কৰাৰ সন্দৰ্ভত এক আলোচনাত মিলিত হৈছিল। ইয়াৰ লগতে জলসম্পদ বিভাগৰ বিষয়া অভিযন্তাৰ দলটোক লগত লৈ সেই সময়তে সত্ৰাধিকাৰ গৰাকীয়ে নিজেই ৰাবাৰ বটেৰে ব্ৰহ্মপুত্ৰৰ মাজ অংশলৈকে গৈ সোমাই অহা টুনী সুঁতিয়ে অঞ্চলটোক কিদৰে প্ৰতিবছৰে ভাবুকিৰ সৃষ্টি কৰি আহিছে সেয়া প্ৰত্যক্ষ কৰাৰ লগতে দলটোকো ভকতচাপৰিৰ খহনীয়া অংশ প্ৰত্যক্ষ কৰোৱাইছিল। বিভাগীয় দলটোক সত্ৰাধিকাৰ গৰাকীয়ে ভকতচাপৰিৰ খহনীয়া ৰোধৰ বিজ্ঞান সন্মত আঁচনি ৰূপায়ণ তথা আউনীআটী অঞ্চলৰ লগতে বৃহত্তৰ নামনি মাজুলী অঞ্চলক সুৰক্ষিত কৰিবলৈ হ'লে জুগুনিধাৰীৰ সমীপত থকা টুনী সুঁতি বন্ধ কৰি অঞ্চলটোক আগুৰি এক কিলোমিটাৰ শৈল বান্ধ নিৰ্মাণ কৰিবলৈ দাবী উত্থাপন কৰিছিল। সেই সময়তে সত্ৰাধিকাৰগৰাকীৰ লগত যোৱা জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা বদন চন্দ্ৰ গোস্বামীয়ে অঞ্চলটোৰ সুৰক্ষাৰ স্বাৰ্থত পাইলট প্ৰজে" হিচাপে মেগা টিউব অথবা শৈল বান্ধৰ দ্বাৰা এককিলোমিটাৰ আগুৰি এক আচনিৰ লোৱাৰ কথা চিন্তা কৰাৰ লগতে উক্ত আচনি অনুমোদন পালেই চলিত বৰ্ষৰ অ'ৌবৰ মাহৰ ভিতৰতে কাম আৰম্ভ কৰিব পৰা হ'ব বুলি জনাইছিল। কিন্তু বৰ্তমান নৱেম্বৰতো কাম আৰম্ভ নোহোৱাত যোৱা ২০ নৱেম্বৰত সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেৱ গোস্বামীয়ে বিষয়টোত উদ্বিগ্নতা প্ৰকাশ কৰি ডিচেম্বৰ মাহৰ ভিতৰতে যদি অঞ্চলটোত প্ৰতিশ্ৰুতি অনুসৰি কাম আৰম্ভ নহয় তেন্তে নিজেই ৰাইজৰ সহযোগত খহনীয়া প্ৰতিৰোধত হাতে-কামে লগাৰ কথা উল্লেখ কৰিছিল।

## ৰূপহীহাটৰ ভকতগাঁৱৰ ৩৮ বিঘা ভূমিত উচ্ছেদ

মৌজাৰ ভকতগাওঁ কিছামতৰ ৩৮ বিঘা ভূমিত চলিছে প্ৰশাসনৰ এই উচ্ছেদ অভিযান। ১৫ দিনৰ উচ্ছেদৰ জাননী লাভ কৰাৰ পিছতেই বহু বেদখল কাৰীয়ে স্ব ইচ্ছাই ত্যাগ কৰিছিল চৰকাৰী ভূমি। পুৱাই উচ্ছেদ চলাবলৈ বুলডজাৰ লৈ সম্পূৰ্ণ সাজু আৰক্ষী প্ৰশাসন। উচ্ছেদৰ পূৰ্বে উচ্ছেদস্থলীত আছে শ-শ আৰক্ষী প্ৰশাসনৰ লগতে অৰ্ধ সামৰিক বাহিনী। এয়া হৈছে মধ্য অসমৰ দ্বিতীয়টো সৰ্ববৃহৎ উচ্ছেদ অভিযান। উচ্ছেদস্থলীত উপস্থিত চামগুৰি ৰাজহ চক্ৰ বিষয়া। বিষয়া গৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে শান্তিপূৰ্ণভাৱে চলি আছে ৰূপহীহাটৰ ভকতগাঁৱৰ উচ্ছেদ অভিযান। ৩৮ বিঘা ভূমি বেদখল মুক্তৰ লক্ষ্যৰে পোৱাৰ পৰা চলি আছে উচ্ছেদকাৰ্য। প্ৰায় ৯৫ শতাংশ বেদখলকাৰীয়ে নিজে নিজে খালি কৰি দিছে চৰকাৰী ভূমি। প্ৰথম পৰ্যায়ৰ উচ্ছেদত কাৰ্য অব্যাহত আছে আৰু পৰৱৰ্তী সময়ত চৰকাৰী ভূমি বেদখলমুক্ত কৰা হব। ৰূপহীহাটৰ ভকতগাঁৱৰ উচ্ছেদিত এগৰাকী মহিলাই মাটিত ভাগৰি ভাগৰি কান্দিছে অকল কান্দিছে। ৩৫ বছৰৰ পৰা বসবাস কৰিছিল ভকতগাঁৱৰ চৰকাৰী ভূমিত। আজি প্ৰশাসনে ভাঙি দিলে বাসগৃহ যাৰ কাৰণে মাটিত ভাগৰি ভাগৰি কান্দোনত ভাগি পৰিল উচ্ছেদিত এগৰাকী মহিলা। আমাক মাৰি পেলাওক আমাৰ যাবলৈ জেগা নাই মোৰ মা দেউতা কোনো নাই। লোকৰ ঘৰত কাম কৰি ঘৰখন বনাইছিলোঁ আজি চৰকাৰে উচ্ছেদ কৰিলে যাৰ কাৰণে কান্দোনত ভাগি পৰিল মহিলা গৰাকী। চৰকাৰক মাটি দিবলৈ কান্দি কান্দি আহ্বান জনালে উচ্ছেদিত মহিলাই মহিলা গৰাকীয়ে। উচ্ছেদ চলি থকাৰ মাজতে মহিলা গৰাকীয়ে এটি কণমানি শিশুক মুকলি আকাশৰ তলতেই পানীৰে বিস্কুট খাবলৈ দিছে। মুকলি আকাশৰ তলতেই কণমানীজনীয়ে পানীৰে বিস্কুট খাই থকা দৃশ্যই সকলোৰে হৃদয় চুই গৈছে। কণমানীজনীয়ে বিস্কুট খাই পৰীক্ষা চলি থকাৰ কাৰণে নিজৰ কিতাপ -বহু লৈ আঁতৰি আহিছে চৰকাৰী মাটিত বসবাস কৰি থকা নিজৰ ঘৰখনৰ পৰা। আনপিনে ৰূপহী ভকতগাঁৱত শান্তি পূৰ্ণভাৱে চলি থকা উচ্ছেদত অভিযানত সংখ্যালঘু সংগ্ৰাম পৰিষদৰ নেতা আহি উত্তেজিত মন্তব্য কৰি আৰক্ষীৰ জালত পৰে। ৰূপহীহাটৰ ভকতগাঁৱৰ উচ্ছেদ স্থলীৰ পৰা আটক অসম সংখ্যালঘু সংগ্ৰাম পৰিষদৰ নেতা মোছাব্বিৰ আলী আহমেদক। উচ্ছেদ চলি থকা অৱস্থাত সংবাদ মাধ্যমৰ আগত উত্তেজিত মন্তব্য কৰাৰ পিছতেই আৰক্ষীয়ে আটক কৰে মোছাব্বিৰ আলী আহমেদক। সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীক তীব্ৰ সমালোচনাৰ লগতে অসমত এজনো বাংলাদেশী নাই বুলি মন্তব্য কৰিছিল নেতাজনে। ইপিনে ৰূপহীহাটৰ ভকতগাঁও মুক্তাব বিদ্যালয়তো আজি উচ্ছেদৰ জাননী প্ৰেৰণ কৰে। বিদ্যালয়খনে জাননী লাভ কৰি অনিশ্চয়তাৰ ভৱিষ্যতলৈ চিন্তিত হৈ পৰে ছাত্ৰ ছাত্ৰীৰ লগতে শিক্ষক শিক্ষয়ত্ৰীসকল। উচ্ছেদিত এলেকাত ৰূপহী ভকতগাঁও মুক্তাব বিদ্যালয়। কালি উচ্ছেদৰ জাননী প্ৰেৰণ প্ৰশাসনৰ ফালৰ পৰা। এক সপ্তাহৰ ভিতৰত বিদ্যালয়ৰ বৈধ নথি পত্ৰ দাখিলৰ নিৰ্দেশ অন্যথা ১২ তাৰিখে চলাব উচ্ছেদ। ১৯৮৫ চনত স্থাপন হোৱা বিদ্যালয়খনত ৪৭গৰাকী ছাত্ৰ ছাত্ৰী দুগৰাকী শিক্ষক -শিক্ষয়িত্ৰীয়ে চলাই আহিছে পাঠদান। আনপিনে ৰূপহী ভকতগাঁও উচ্ছেদস্থলীত নগাঁও জিলা আয়ুক্ত দেৱাশিষ শৰ্মা উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। জিলা আয়ুক্ত গৰাকীয়ে সংবাদ মাধ্যমৰ আগত কয় যে নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত ইতিমধ্যে আৰু উচ্ছেদ চলিব। সোনাই না অবৈধ বাবে বান্ধি পুখুৰী খন্দা সকলৰ বিৰুদ্ধে খংগুত অগ্নি শৰ্মা হৈ পৰে আয়ুক্ত গৰাকী। সোনাই নৈ অবৈধভাৱে বেদখ কৰি সংকোচিত কৰা সকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱাৰ বাবে চামগুৰি ৰাজহ চক্ৰ বিষয়া ক নিৰ্দেশ প্ৰদান কৰে। চামগুৰি ৰাজহ চক্ৰ বিষয়াই লগে লগে লাট মণ্ডল ইমদাদুল ইছলাম ওৰফে দাদুলৰ ঘৰত যোৱা পথত বুলডজাৰ লগাই দিয়ে। চৰকাৰী নলা বন্ধ কৰি লাট মণ্ডল ইমদাদুলে নিৰ্মাণ কৰিছিল পথ। যাৰ বাবে বন্ধ হৈ পৰিছিল বোৱতী সোনাই নৈ।

প্ৰয়োজন হ'লে আমি অবিচি (OBC)হৈয়ে থাকিম
কিন্তু ৰাজবংশীসকলৰ লগত নাথাকো ঃ প্ৰহাস বানাই

# কোচসকলক ৰাজবংশী জনগোষ্ঠীৰ পৰা পৃথক্কৰণৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৫ ডিচেম্বৰ ঃ** অসম চৰকাৰে ছয় জনগোষ্ঠীক জনজাতি কৰণৰ মৰ্যাদা প্ৰদানৰ বাবে অসম বিধানসভাৰ শীতকালীন অধিবেশনত প্ৰতিবেদন দাখিল কৰাৰ পিচতেই কেইবাটাও জনগোষ্ঠীয়ে প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হৈছে। আজি দুধনৈ নিকটৱৰ্তী বাঘমাৰা হিৰাই জিৰাই সাংস্কৃতিক ভৱনত আজি সদৌ অসম কোচ সন্মিলন(AAKA) আৰু সদৌ অসম কোচ ছাত্ৰ সন্থা(AAKSU)ই এক যৌথ সংবাদ মেলৰ জৰিয়তে ৰাজবংশী জনগোষ্ঠীৰ পৰা কোচ জনগোষ্ঠীক পৃথক্কৰণৰ বাবে অসম চৰকাৰক দাবী জনায়। সদৌ অসম কোচ সন্মিলনীৰ সভাপতি প্ৰহাস বানাই, সম্পাদক পৰিমল কোচ আৰু সদৌ অসম কোচ মহিলা পৰিষদৰ সভানেত্ৰী স্বৰ্ণলতা কোচে এক সংবাদমেলৰ জৰিয়তে কোচ সকলক ৰাজবংশী জনগোষ্ঠীৰ পৰা পৃথক্কৰণৰ দাবী জনায়। তেওঁলোকে কয় যে কোচ সকল নিজস্ব ভাষা কলা কৃষ্টি সংস্কৃতি পৰম্পৰাৰে এক পৃথক জনগোষ্ঠী। কোচ সকলক




সুকীয়াকৈ জনজাতিৰ মৰ্যাদা দিয়াৰ বাবে আহ্বান জনায় চৰকাৰক। তেওঁলোকে স্পষ্ট ভাষাৰে কয় যে প্ৰয়োজন হলে আমি ওবিচি(OBC) হৈয়ে থাকিম কিন্তু ৰাজবংশী জনগোষ্ঠীৰ লগত নাথাকো। ৰাজবংশী জনগোষ্ঠীয়ে কোচ সকলক নিঃশেষ কৰাৰ লক্ষ্যৰে ৰাজবংশী সকলৰ লগত একত্ৰিত কৰিছে। এই কথা কোনোপধ্যেই মানি লব নোৱাৰি। কাৰণ কোচ আৰু ৰাজবংশী দুটা পৃথক জনগোষ্ঠী। কোচসকল মংগোলীয় আৰু ৰাজবংশী সকল আৰ্যমুলীয়। ৰাজবংশী জনগোষ্ঠীৰ ভাষা সংমিশ্ৰিত বঙালী ভাষা। তেওঁলোকৰ তাত বিভিন্ন জনগোষ্ঠী সোমাই আছে। কোচ সকল কিন্তু কোচেই। কোচ জনগোষ্ঠীৰ সকলো তথ্যপাতি ইতিমধ্যে ২০২০ বৰ্ষৰ ১৮ অক্টোবৰত অসম চৰকাৰক প্ৰদান কৰিছে। উল্লেখযোগ্য যে ইতিমধ্যে ১৯৮৭ চনৰ ১৯ চেপ্তেম্বৰৰ পৰাই চুবুৰীয়া ৰাজ্য মেঘালয়ত কোচ সকলক সুকীয়াকৈ জনজাতিৰ মৰ্যাদা দিয়া হৈছে। তেওঁলোকৰ প্ৰশ্ন মেঘালয়ত যদি কোচ সকলে পৃথক জনগোষ্ঠী হিচাবে মৰ্যাদা সহকাৰে থাকিব পাৰে অসমত কিয় ৰাজবংশী সকলৰ লগত একেলগে ৰাখিব। আনহাতে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন সদ্য গঠিত বিটিচিত ইতিমধ্যে কোচ ৰজা ললিত নাৰায়ন কোচৰ কন্যা হেমপ্ৰভা দেৱী কোচক পৰিষদৰ এগৰাকী মনোনীত সদস্য হিচাবে নিৰ্বাচিত কৰাত কোচ জনগোষ্ঠীৰ সংগঠন সমূহে বিটিচি চিফ হাগ্ৰামা মহিলাৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছে। ৰাজকন্যা হেমপ্ৰভা দেৱী কোচক বিটিচিত মনোনীত সদস্য হিচাবে নিযুক্তি দিয়াত ৰাজবংশী জনগোষ্ঠীয়ে আপত্তি দৰ্শাইছে। এয়া দুৰ্ভাগ্য জনক। কোচ জনগোষ্ঠীৰ সংগঠন সমূহে বিটিচি চৰকাৰক কোনো ৰাজনৈতিক হেঁচাত পৰি হেমপ্ৰভা দেৱী কোচৰ নিযুক্তিক বাতিল নকৰিবলৈ আহ্বান জনায়। আনহাতে আগন্তুক ২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে কোচ সকলক ৰাজবংশী জনগোষ্ঠীৰ পৰা পৃথক কৰাৰ বাবে দাবী জনায়। অন্যথা কোচ জনগোষ্ঠীৰ সংগঠন সমূহে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব বুলিও সংবাদ মেল যোগে সকিয়নি প্ৰদান কৰে। সংবাদ মেলত সদৌ কোচ মহিলা পৰিষদ, সদৌ কোচ ছাত্ৰ সন্থাৰ বিষয় ববীয়া সকল উপস্থিত থাকে।

# কাদং আঞ্চলিক বিকলাংগ সন্থাৰ উদ্যোগত বিশ্ব বিকলাংগ দিৱস উদ্‌যাপন

**অসম বাৰ্তা, জনীয়া, ৫ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ অন্তৰ্গত কাদং আঞ্চলিক বিকলাংগ সন্থাৰ উদ্যোগত আৰু সম্পাদক আমিনুল হকৰ তত্বাৱধানত কাদং হাইস্কুল খেলপথাৰত বিশ্ব বিকলাংগ দিৱস আৰু দশম সংখ্যক বাৰ্ষিক অধিবেশন ৩ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। দিনজোৰা বিভিন্ন কাৰ্যসূচীৰ অন্তত আবেলি ১ বজাত মুকলি সভা অনুষ্ঠিত হয়। জনীয়া প্ৰেছ ক্লাৱৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক মইনুল হক চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত উদ্দেশ্য ব্যাখ্যা কৰে বিকলাংগ সন্থাৰ কাৰ্যকৰী সভাপতি জয়নাল আবেদিনে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে জনীয়া প্ৰেছ ক্লাৱৰ সম্পাদক আবুল হুছেইনে কয় যে বিশেষভাৱে সক্ষম হৈয়ো আমিনুল হকে বান সাহায্য, শীতৰ সময়ত কম্বল বিতৰণ, শওপুৰ বেকী দলঙৰ ওপৰদি পাৰ হোৱাৰ বাবে ৰোগী তথা বিশেষভাৱে সক্ষম লোকৰ বাবে হুইল চিয়াৰ প্ৰদানকে আদি বিভিন্ন সজাগতামোলক সভা অনুষ্ঠিত কৰি আহিছে। যিটো বহুতো শাৰীৰিক ভাৱে সক্ষম লোকে কৰিব পৰা নাই। গতিকে এনেকুৱা ব্যক্তিক আমিবোৰে আৰ্থিক ভাবে নোৱাৰিলেও মনোবল দিয়াটো দৰকাৰ। সভাত বিশিষ্ট অতিথি হিচাপে বিশিষ্ট লেখক, অধিবক্তা তথা অভিযন্তা আব্দুল আজিজ আহমেদে বিশেষভাৱে সক্ষম লোকসকলৰো যিহেতু সৃষ্টিমুলক প্ৰতিভা আছে তাৰ উদাহৰণ দাঙি কয় যে বিশেষভাৱে সক্ষম লোকৰ বাবে বিধানসভাত আসন সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। সভাত নিৰ্দিষ্ট বক্তা হিচাপে হিচাপে হিচাপে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক ক্ৰমে আজাদ হুছেইন, মুকুল হুছেইনে বিশেষ ভাবে সক্ষম লোকৰ বিভিন্ন সমস্যা আৰু এইক্ষেত্ৰত চৰকাৰ আৰু সমাজৰ কৰণীয় সম্পৰ্কে বক্তব্য প্ৰদান কৰে। উক্ত সভাত জনীয়া আঞ্চলিক শ্ৰমিক সন্থাৰ সম্পাদক ৰাজেক আলী, জনীয়া যুৱ কল্যাণ পৰিষদৰ সম্পাদক মহিদুল ইছলামে বিকলাংগ সন্থা'ৰ সম্পাদক আমিনুল হকৰ প্ৰশংসা কৰাৰ লগতে তেওঁক সহযোগ কৰা আহ্বান ৰাখে। উক্ত সভাত ৰূপাকুছিৰ সমাজসেৱক তাৰা মিয়া, বিশিষ্ট ব্যৱসায়ী আব্দুল মতিন, এ পি ডব্লিউ জাকিৰ হুছেইন (ৰাজু), নিউজ জী'ৰ স্বত্বাধিকাৰী




ছাহজাহান আলীকে আদি কৰি বহুতো অতিথি উপস্থিত থাকে। সন্ধিয়া সুৰৰ ঝংকাৰ 'সংগীতানুষ্ঠান উদ্বোধন কৰে বৰপেটা জিলা পৰিষদৰ প্ৰাক্তন সদস্য এম হাবিবুল্লাহ। সংগীনুষ্ঠানত স্থানীয় শিল্পীৰ নৃত্য আৰু ৰাজিবুল ইছলাম, পিয়াৰ আলী, মাজিদুল ইছলাম গীতৰ উপৰি আমন্ত্ৰিত শিল্পী ছাহনাজ পাৰবিনে গীত পৰিৱেশন কৰে। অন্তত সভাৰ সভাপতি মইনুল হক চৌধুৰীয়ে বিশেষভাৱে সক্ষম লোকক অৱহেলা নতুবা অৱজ্ঞা নকৰি মানবিয়তাৰ দৃষ্টিৰে চাই সমাজৰ আনৰ সমানে আগুৱাই নিবলৈ আহ্বান জনায়। উল্লেখ্য যে কাৰ্যসূচীৰ লগত সংগতি ৰাখি জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে।

# আদৰ্শ বিদ্যাপীঠ গেলেকীৰ ৰূপালী জয়ন্তীৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, গেলেকী, ৫ ডিচেম্বৰ ঃ** ২০০১ চনত প্ৰতিষ্ঠা লাভ কৰা শিক্ষাৰ অন্যতম আগৰণুৱা শিক্ষানুষ্ঠান গেলেকীৰ আদৰ্শ বিদ্যাপীঠয়ে সগৌৰৱে ২৪টা বছৰ সম্পূৰ্ণ কৰাৰ পথত। ২০০১ চনত গেলেকী নগৰৰ মাজমজিয়াত প্ৰতিষ্ঠা লাভ কৰা শিক্ষানুষ্ঠানখনে ২০২৬ বৰ্ষত ২৫টা বছৰত ভৰি দিবহি। চালকীয় অৱস্থাৰ পৰা শিক্ষানুষ্ঠানখনে বিভিন্ন ঘাট প্ৰতিঘাটৰ মাজেৰে আজি গেলেকী অঞ্চলৰ ভিতৰতে অন্যতম আগৰণুৱা শিক্ষানুষ্ঠান হিচাপে নিজকে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ এই সফলতাৰ অন্তৰালত বিদ্যালয়খনৰ সঞ্চালিকা কুন্তীৰাণী বড়া গগৈৰ যথেষ্ট ত্যাগ আৰু কষ্ট অন্তৰ্নিহিত হৈ আছে। লগতে অৱদান আছে গেলেকী অঞ্চলৰ বহু স্বনামধন্য ব্যক্তিৰ দিহা পৰামৰ্শ আৰু সহযোগিতাৰ। যাৰ বাবে আজিৰ তাৰিখত শিক্ষানুষ্ঠানখনে প্ৰতি বছৰে বিভিন্ন পৰীক্ষাত উজ্জীৱিত প্ৰদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। ২৪টা বছৰ সফলতাৰে সামৰণি ঘটাই ২৫টা বৰ্ষত প্ৰৱেশ কৰাৰ উপলক্ষে বিদ্যালয় খনত অনুষ্ঠিত কৰা হ'ব ৰূপালী জয়ন্তী বৰ্ষ অনুষ্ঠান। আগন্তুক ২০২৬ বৰ্ষৰ জানুৱাৰী মাহৰ ২ আৰু ৩ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে বিস্তৃত কাযসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে ৰূপালী জয়ন্তী অনুষ্ঠানৰ। এই অনুষ্ঠানৰ আৰম্ভণিৰ প্ৰতীক স্বৰূপে আজি লাইখুঁটা স্থাপন কৰা হয়। লাইখুটা স্থাপন কৰে স্থানীয় প্ৰাক্তন শিক্ষক, নামাচাৰ্য ফুলেশ্বৰ ৰাজখুৱাই। এই অনুষ্ঠানত উপস্থিত থাকে ৰূপালী জয়ন্তীৰ উদযাপন সমিতিৰ সভাপতি হেমন্ত ৰাজখোৱা, সমাজকৰ্মী ৰেকিবুল হুছেইন, গেলেকী প্ৰেছ ক্লাৱৰ সভাপতি ৱাহিদ আলী, বৃহত্তৰ গেলেকী সুৰক্ষা মঞ্চৰ সম্পাদক হেমন্ত গগৈ, ৰাৰিয়ৰ্ছ গেলেকী আঞ্চলিক সমিতিৰ তনুজা বেগম, জেষ্ঠ খেলুৱৈ তথা সমাজকৰ্মী চম্পা বৰুৱা আৰু ভালেকেইজন স্থানীয় গণ্য মান্য ব্যক্তিৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া ৰূপালী জয়ন্তী বৰ্ষৰ অনুষ্ঠানত স্থানীয় সকলো লোকৰে সহায় সহযোগিতা আৰু উপস্থিতিৰ কামনা কৰিছে শিক্ষানুষ্ঠানখনৰ সঞ্চালিকা কুন্তীৰাণী বড়া গগৈয়ে।

# খৈৰাবাৰীত আন্তঃৰ্জাতিক দিব্যাংগ দিৱস পালন আৰু এমুঠি জোনাক উন্মোচন

**অসম বাৰ্তা, টংলা, ৫ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ খৈৰাবাৰী শিক্ষাখণ্ডৰ সৰ্বাত্মক শিক্ষা গোটৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস পালন কৰা লগতে "এমুঠি জোনাক" শীৰ্ষক আলোচনীখনৰ চতুৰ্থ সংস্কৰণ শিক্ষাগুৰু মিলন শৰ্মা, দিল্লী প্ৰসাদ শৰ্মা, জিলা আঁচনি বিষয়া ডালিমী বৰুৱাই উন্মোচন কৰে। জিলা আঁচনি বিষয়া (আই,ই)ডালিমী বৰুৱা আৰু পুৰণি টংলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিল্লী প্ৰসাদ শৰ্মাই ৰসাল বক্তব্যৰে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক সকলক আপ্লুত কৰে। সৰ্বাত্মক শিক্ষাৰ সমল ব্যক্তি তথা এমুঠি জোনাকৰ সম্পাদক বিপুল কলিতাই আঁত ধৰা উক্ত অনুষ্ঠানত সৰ্বতোপ্ৰকাৰে সহযোগ কৰা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া আৰু খণ্ড মিছন সমন্বয়ক কাৰ্যালয়ৰ




সমূহ বিষয়ববীয়া, লিখনিৰ জৰিয়তে আলোচনীখন সমৃদ্ধ কৰা ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু বিভিন্ন জিলাৰ পৰা লিখনি পঠিয়াই কৃতাৰ্থ কৰা সমূহ লিখক-লেখিকালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। আন্তৰ্জাতিক দিব্যাংগ দিৱসত বিশেষভাৱে সহযোগ কৰা বাবে আটাৰিখাট মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক মিলন শৰ্মা আৰু নাওবন্ধা এম. ই. স্কুলৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক শিক্ষয়িত্ৰীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। খৈৰাবাৰী শিক্ষাখণ্ডৰ বিভিন্ন মণ্ডল সমল কেন্দ্ৰৰ পৰা উপস্থিত থাকি উৎসাহিত কৰা সমন্বয়কসকল তথা পানেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক সঞ্জয় বসুমতাৰীক সৰ্বাত্মক শিক্ষাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

ডাম্পাৰ, জেচিবি সহ কেইবাখনো বাহন জব্দ

# অভয়াপুৰীত বন বিভাগৰ অভিযান



**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ৫ ডিচেম্বৰ ঃ** বঙাইগাঁও আই উপত্যকা বন সংমণ্ডলৰ অধীনস্থ অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়ে আজি বিভিন্ন অঞ্চলত অভিযান চলাই কেবাখনো বাহন জব্দ কৰিবলৈ সক্ষম হয়। বন বিভাগে অভয়াপুৰীৰ আমতোলাৰ পৰা এ এছ০১ইচি/০৩১৪ নম্বৰৰ এখন শালকাঠৰ কুণ্ডা কঢ়িওৱা টাটা ডি এল ভান, শিঙিমাৰীৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা এ এছ০৬ডি৬০৬৯ নম্বৰৰ বালি কঢ়িওৱা ট্ৰাক জব্দ কৰাৰ লগতে যোগীঘোপা অঞ্চলৰ পৰা এ এছ১৯চি/২৬২২ নম্বৰৰ জে চি বি আৰু এ এছ ১৯চি/৮৭২৬, এ এছ১৯চি/৮৭২৭ নম্বৰৰ দুখনকৈ ডাম্পাৰ জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে আজি পুৱা চিপনছিলাৰ পৰা লেংটিছিঙা অঞ্চললৈ টাটা ডি এল ভানখনেৰে শালকাঠৰ কুণ্ডা কঢ়িওৱাৰ বিষয়ে জানিব পাৰি অভয়াপুৰীৰ বন বিষয়া সালামুদ্দিন সৰকাৰৰ নেতৃত্বত বন কৰ্মীৰ দলে পিছ লয়। পাছত ভানখন আমতোলাৰ লোক এঘৰত প্ৰৱেশ কৰোৱাই ভানখন তাতে থৈ চালক পলায়ন কৰে। পাছত বন বিভাগে ভানখন জব্দ কৰে। জব্দকৃত কাঠখিনিৰ মূল্য ৮০ হাজাৰ টকা মানৰ হ'ব বুলি বন বিভাগে জনাইছে। আনপিনে আজি আবেলি আঢ়ৈ মান বজাত গোৱালপাৰ পৰা আহি থকা অৱস্থাত শিঙিমাৰী দ্বিতীয় খণ্ডৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বালি ভৰ্তি ট্ৰাকখন বন বিভাগে জব্দ কৰিবলৈ সক্ষম হয়। ইপিনে যোগীঘোপা অঞ্চলৰ কুমুৰাকাটা চতুৰ্থ খণ্ডত আজি একাংশ লোকে ৰাজহ ফাঁকি দি চোৰাংকৈ মাটি থকাৰ বিষয়ে জানিব পাৰি বন বিষয়া সৰকাৰৰ নেতৃত্বত বন বিভাগে অভিযান চলায়। অভিযানত মাটি খনন কৰি থকা অৱস্থাতে এখন জে চি বিৰ লগতে দুখনকৈ ডাম্পাৰ জব্দ কৰিবলৈ সক্ষম হয়।

# লাওখোৱা প্ৰাথমিক শিক্ষাখণ্ডত দিব্যাংগ দিৱস উদ্‌যাপন

**অসম বাৰ্ত, ৰূপহীহাট, ৫ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ লাওঁখোৱা প্ৰাথমিক শিক্ষা খণ্ডৰ উদ্যোগত য়োৱাকালি দিনয়োৱা কাৰ্যসূচীৰে দিব্যাংগ সপ্তাহ পালন কৰে। বিশ্ব প্ৰতিবন্ধী দিৱসৰ লগত সংগতি ৰাখি দিব্যাংগ সপ্তাহ উদ্‌যাপন কৰে। ৰূপহীহাট কাঞ্চনপুৰ মধ্য ইংৰাজী বিদ্যালয়ত সাধাৰণ আৰু বিশেষভাৱে সক্ষম শিশু সকলক লৈ দিনযোৱা বৰ্ণাঢ্য কাৰ্যসূচী পালন কৰে। পুৱাৰ ভাগতে পতাকা উত্তোলনৰ জৰিয়তে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছত প্ৰাণৰ শিল্পী জুবিন গাৰ্গক প্ৰতিচ্চবিত মাল্যঅৰ্পন কৰি শ্ৰদ্ধাৰে স্মৰণ কৰে। ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে




শিক্ষাৰ্থী সকলৰ হাতে হাতে বিভিন্ন প্লে'কাৰ্ড লৈ ৰেলী উলিয়াই। সাধাৰণ শিশু আৰু বিশেষভাৱে সক্ষম শিশু সকলৰ মাজত খেল-ধেমালি, কবিতা আবৃত্তি, চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। উক্ত অনুষ্ঠানত কাঞ্চনপুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক জয় কুমাৰ ৰায়ৰ লগতে বহু গণ্য মান্য লোক উপস্থিত থাকি শিশু সকলক বঁটা বিতৰণ কৰে।

জিলা আয়ুক্তৰ অধ্যক্ষতাত প্ৰস্তুতিমূলক ব্যৱস্থাপনা সন্দৰ্ভত বৈঠক সম্পন্ন

# শিৱসাগৰত শ্বহীদ দিৱসৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৫ ডিচেম্বৰ ঃ** অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে অহা ১০ ডিচেম্বৰত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰত 'শ্বহীদ দিৱস'ৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰিছে। ইয়াৰ সমান্তৰালকৈ জিলা সদৰ আৰু সম-জিলা সমূহতো ১০ ডিচেম্বৰ তাৰিখে উক্ত দিৱসটি পালন কৰা হ'ব। শিৱসাগৰ জিলাত শ্বহীদ দিৱস আয়োজনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে আজি শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত জিলা আয়ুক্ত আয়ুষ গৰ্গৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলাখনত আগন্তুক শ্বহীদ দিৱসৰ আয়োজন, সামগ্ৰিক ব্যৱস্থাপনা তথা পৰিচালনা আৰু স্থানীয় শিল্পী আৰু জনসাধাৰণৰ অংশগ্ৰহণ আদি বিষয় সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। উল্লেখ্য যে, শ্বহীদ দিৱসৰ জিলা ভিত্তিক কাৰ্যসূচী ঐতিহাসিক বৰ্ডিং




খেলপথাৰত অনুষ্ঠিত কৰা হ'ব। উক্ত অনুষ্ঠানটিত ১০, ০০০ অংশগ্ৰহণকাৰীয়ে মানৱ শৃংখল ৰচি "শ্বহীদ প্ৰণমো তোমাক" শীৰ্ষক গীতটি পৰিৱেশন কৰিব। ডিমৌ আৰু নাজিৰাত সম-জিলা পৰ্যায়ত অনুষ্ঠিতব্য কাৰ্যসূচীত ৪, ০০০ কৈ অংশগ্ৰহণকাৰীয়ে গীতটি পৰিৱেশন কৰিব। আনহাতে, অনুষ্ঠানত অংশগ্ৰহণৰ বাবে জিলাখনৰ শ্বহীদসকলৰ পৰিয়ালবৰ্গকো আমন্ত্ৰণ জনোৱা হ'ব। গুৱাহাটীত অনুষ্ঠিতব্য কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰৰো ব্যৱস্থা জিলা আৰু সম-জিলা পৰ্যায়ৰ অনুষ্ঠানত কৰা হৈছে। শ্বহীদ দিৱসৰ সফল আয়োজনৰ বাবে জিলা আয়ুক্ত গৰাকীয়ে সংশ্লিষ্ট বিভাগীয় বিষয়া-কৰ্মচাৰী আৰু জিলাবাসী ৰাইজৰ পূৰ্ণ সহযোগিতা কামনা কৰিছে। বৈঠকত অতিৰিক্ত জিলা আয়ুক্তদ্বয় গীতালী দুৱৰা আৰু লুকুমণি বড়া, শিৱসাগৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নেকিব চাঈদ বৰুৱা, সহকাৰী আয়ুক্তসকল ক্ৰমে কে এন চন্দনা জাহ্নবী, পৰিস্মিতা দিহিঙ্গীয়া, শুভজিত খাউণ্ড, গণেশ চন্দ্ৰ বড়ো, বিদিশা শইকীয়া প্ৰমুখ্যে সংশ্লিষ্ট বিভাগীয় বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# কামপুৰ আৰক্ষীৰ ড্ৰাগছৰ বিৰুদ্ধে অভিযান

**অসম বাৰ্তা, কামপুৰ, ৫ ডিচেম্বৰ ঃ** আজি নগাঁও জিলাৰ কামপুৰ আৰক্ষীয়ে ড্ৰাগছ বিৰুদ্ধে ব্যাপক অভিযান চলাই। কামপুৰ থানাৰ এটা দলে এক গোপন খবৰৰ ভিত্তিত কামপুৰৰ পশ্চিম কাকতিগাওঁ আৰু বৰুৱাবালিত চলোলোৱা অভিযানত প্ৰায় ৪.৪৫গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ সহ দুজনলোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। গোপন খবৰৰ ভিত্তিত প্ৰথমতে অভিযান চলাই পশ্চিম কাকতি গাঁৱত ড্ৰাগছ সহ জেহেৰুল ইছলাম নামৰ এজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। লোকজনৰ ঘৰ জাগীৰোড থানাৰ অন্তৰ্গত কুয়াদলত বুলি জনা গৈছে। ধৃত জেহেৰুল ইছলামৰ পৰা ৩টা প্লাষ্টিক কণ্টেণাৰত থকা ৩.২৬ গ্ৰাম সন্দেহযুক্ত হেৰোইন জব্দ কৰিবলৈ সক্ষম হয়। পিছত আৰক্ষীয়ে অভিযান চলাই কামপুৰৰ বৰুৱাবালিত। বাৰুৱাবালিত আৰক্ষীয়ে অভিযান চলাইড্ৰাগছ সহ ৰহা টাউনৰ উদ্ধৱ দাস নামৰ এজন লোকক আটক কৰে। ধৃত উদ্ধৱ দাসৰ পৰা ২টা প্লাষ্টিকৰ কণ্টেইনাত থকা ২.২০ গ্ৰাম সন্দেহযুক্ত হেৰোইন উদ্ধাৰ কৰে আৰক্ষীয়ে। ইতিমধ্য আৰক্ষীয়ে ধৃত দুয়োজনলোক আইনী ব্যৱস্থা লোৱা বুলি জনা গৈছে।

মৃণ্ময় বড়োৰ তৎপৰতাত ২২৫ গৰাকী বিএলএৰ অংশগ্ৰহণ

# বকোত বিজেপিৰ সমষ্টি ভিত্তিক বিএলএ-২ সকলোৰ কৰ্মশালা সম্পন্ন

**অসম বাৰ্ত, বকো, ৫ ডিচেম্বৰ ঃ** সমাগম ২০২৬ ৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আজি কামৰূপ জিলাৰ নৱগঠিত বকো-ছয়গাঁও বিধানসভা সমষ্টিত অনুষ্ঠিত হয় বি জে পিৰ BLA-2ৰ কৰ্মশালা। বকোস্থিত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত ভাৰতীয় জনতা পাৰ্টিৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ উদ্যোগত বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ ৪টা মণ্ডলৰ সভাপতি, জিলা সভাপতি, বুথৰ সভাপতি সকল, মণ্ডলৰ বিষয় ববীয়া সকলৰ লগতে BLA-2 হিচাপে দায়িত্বপ্ৰাপ্ত ২২৫ গৰাকী ব্যক্তি উপস্থিতিত আয়োজন কৰা হয় কৰ্মশালা সভা। সভাত ভোটাৰ তালিকা সংশোধন আৰু নিৰ্বাচনী ৰণ কৌশল সন্দৰ্ভত আলাপ আলোচনা কৰে দলটোৱে। উল্লেখ্য যে, আগন্তুক বিধানসভা নিৰ্বাচনত বকো ছয়গাঁও সমষ্টিত ভাৰতীয় জনতা পাৰ্টিৰ বিজয় সুনিশ্চিত কৰাৰ বাবে সংগঠনটো অধিক শক্তিশালী কৰিবলৈ তৃণমূল পৰ্যায়ৰ পৰাই সমৰ্পিত মনোভাৱৰে কাৰ্যকৰ্তাসকলক কাম কৰি যাবলৈ আহ্বান জনায় জিলা সভাপতি অঞ্জন গোস্বামীয়ে। ইফালে বি জে পিৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ সম্পাদক মৃণ্ময় বড়োৰ তৎপৰতাত বকো মণ্ডল, ছমৰীয়া সত্ৰ মণ্ডল, বনগাঁও ছয়গাঁও মণ্ডল আৰু নগৰবেৰা মণ্ডলৰ দলীয় কৰ্মী সকল উপস্থিত থাকি সহযোগ আগবঢ়াই। দলটোৰ এছ আৰ তথা জ্যেষ্ঠ কৰ্মী প্ৰহ্লাদ বিশ্বাসে সঞ্চালনা কৰা কৰ্মশালাৰ সমল ব্যক্তি হিচাবে উপস্থিত থাকে জিলা বি জে পিৰ সভাপতি অঞ্জন গোস্বামী, বি এল এৰ সমন্বয়ক তথা জিলা সম্পাদক মৃণ্ময় বড়ো, জিলা প্ৰভাৰী মুকুটা ডেকাৰ উপৰি বহুতো দলীয় কৰ্মী উপস্থিত থাকে। ইফালে বকো মণ্ডল বি জে পিৰ সাধাৰণ সম্পাদক লাচিত কলিতা, জনজাতিয় মৰ্চাৰ বুদ্ধেশ্বৰ ৰাভা, নিৰঞ্জন ৰাভাৰ উপৰিও বহু সংখ্যক দলীয় কৰ্মীয়ে সহযোগ আগবঢ়াই।

বিৰোধী দলৰ বিধায়ক থকাৰ বাবেই জৰাজীৰ্ণ পথ নিৰ্মাণত চৰকাৰে গুৰুত্ব নিদিয়াৰ অভিযোগ

# নাজিৰাত জৰাজীৰ্ণ ঐতিহাসিক ধোদৰ আলি, বৰ আলি, ৰহদৈ আলি, নগা আলি পুনৰ নিৰ্মাণৰ দাবীত যুৱ কংগ্ৰেছৰ পথ অৱৰোধ

**অসম বাৰ্তা, নামতি, ৫ ডিচেম্বৰ ঃ** নাজিৰা বিধানসভা সমষ্টিৰ অতিকে গুৰুত্বপূৰ্ণ ঐতিহাসিক ধোদৰ আলি, বৰ আলি, ৰহদৈ আলি, নগা আলিকে ধৰি উপ-পথ সমূহৰ জৰাজীৰ্ণ অৱস্থাই পথচাৰী-জনগণক জীয়াতু ভোগাই আহিছে। বৰ্তমান বিৰোধী দলৰ বিধায়ক থকাৰ বাবেই সমষ্টিটোৰ বাট-পথকে ধৰি সৰ্বাংগিন উন্নয়নৰ ক্ষেত্ৰত শাসনাধিস্থ বি জে পি নেতৃত্বাধীন চৰকাৰে গুৰুত্ব আৰোপ কৰা নাই। এই গুৰুতৰ অভিযোগ তুলি আজি জৰাজীৰ্ণ পথ সমূহ পুনৰ নিৰ্মাণৰ দাবীত ৰাজপথত নামি পৰিল যুৱক-মহিলাকে ধৰি বয়োজ্যেষ্ঠ নাগৰিক। নাজিৰা বিধান সভা সমষ্টি যুৱ কংগ্ৰেছ কমিটীৰ উদ্যোগত দিখৌ নদীৰ সমীপৰ নাজিৰা-শিমলুগুৰি উন্নয়ন প্ৰাধিকৰণৰ কাৰ্যালয়ৰ সন্মুখত শ শ কংগ্ৰেছ নেতা-কৰ্মীয়ে ঐতিহাসিক ধোদৰ আলি অৱৰোধ কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীত নাজিৰা সমজিলাৰ দণ্ডাধীশ উপস্থিত হোৱাত তেওঁৰ হাতত নাজিৰা সমষ্টিৰ জৰাজীৰ্ণ পথ সমূহ শীঘ্ৰে পুনৰ নিৰ্মাণৰ দাবীত নাজিৰা সমজিলা আয়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰীলৈ সমষ্টি যুৱ কংগ্ৰেছ কমিটীয়ে এখনি স্মাৰক পত্ৰ প্ৰদান কৰে।




অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন